দ্বিতীয় অধ্যায়



# জাতীয় আয় গণনা (National Income Accounting)

এই অধ্যায়ত এখন সৰল (Simple) অৰ্থনীতিৰ মৌলিক কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰা হৈছে। এই অধ্যায়ৰ, 2.1 অনুচ্ছেদত ব্যৱহাৰ হ'বলগীয়া অৰ্থনীতিৰ কেতবোৰ প্ৰাথমিক ধাৰণাৰ ব্যাখ্যা দাঙি ধৰা হৈছে। 2.1 অনুচ্ছেদত দেখুওৱা হৈছে যে কেনেকৈ অৰ্থনীতি এখনৰ সামগ্ৰিক আয় এক চক্ৰীয় প্ৰবাহৰ মাধ্যমত অৰ্থনীতিখনৰ বিভিন্ন খণ্ডসমূহৰ মাজেৰে গতি কৰে। সেই অনুচ্ছেদতে জাতীয় আয় গণনাৰ তিনিটা পদ্ধতি যেনে— উৎপাদন পদ্ধতি (Product method), ব্যয় পদ্ধতি (Expenditure method) আৰু আয় পদ্ধতি (Income method)ৰ সম্পৰ্কে আলোচনা কৰা হৈছে। 2.3 অনুচ্ছেদত জাতীয় আয়ৰ বিভিন্ন উপ-বিভাগসমূহৰ ব্যাখ্যা দাঙি ধৰা হৈছে। এই অনুচ্ছেদতে বিভিন্ন দৰ সূচকসমূহ যেনে— মুঠ ঘৰুৱা উৎপাদন সংকোচক (GDP deflator), উপভোক্তাৰ দৰ সূচক (Consumer Price Index), পাইকাৰী দৰ সূচক (Wholesale Price Index) ইত্যাদিবোৰৰ ব্যাখ্যাও দাঙি ধৰা হৈছে। তদুপৰি দেশ এখনৰ জনসাধাৰণৰ সামূহিক কল্যাণৰ এক সূচক

হিচাপে মুঠ ঘৰুৱা উৎপাদন (GDP)ক ব্যৱহাৰ কৰোতে সন্মুখীন হোৱা অসুবিধাবোৰৰ বিষয়েও ব্যাখ্যা কৰা হৈছে।

## 2.1 সমষ্টিবাদী অৰ্থনীতিৰ কেতবোৰ মূল ধাৰণা (Some Basic Concepts of Macro-economics)

অৰ্থবিজ্ঞানৰ পিতৃস্বৰূপ আদাম স্মিথে তেখেতৰ অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ 'An Enquiry into the Nature and Causes of the Wealth of Nations'ৰ জৰিয়তে দেশ এখনে কেনেকৈ জাতীয় সম্পদ আহৰণ কৰিব পাৰে আৰু কোনবোৰ কাৰকে দেশ এখনক ধনী বা দুখীয়া বুলি চিহ্নিত কৰে সেই বিষয়ে গুৰুত্বপূৰ্ণ বিশ্লেষণ আগবঢ়াইছে। এইবোৰ হ'ল অৰ্থনীতিৰ কেতবোৰ মূল প্ৰশ্ন। এইটো নহয় যে যিবোৰ দেশৰ পৰ্যাপ্ত প্ৰাকৃতিক সম্পদ যেনে খনিজ দ্ৰব্য আৰু বনজ সম্পদ বা অতিশয় সাৰুৱা ভূমি আছে আৰু কেৱল সেইবোৰ দেশেই চহকী দেশ। আফ্ৰিকা, লেটিন আমেৰিকাৰ দৰে দেশবোৰ প্ৰাকৃতিক সম্পদত চহকী হোৱা সত্ত্বেও বিশ্বৰ অন্যতম দুখীয়া দেশৰূপেহে পৰিচিত। আনহাতে বহু দেশে প্ৰাকৃতিক সম্পদৰ নাটনি সত্ত্বেও দ্ৰুত অৰ্থনৈতিক উন্নয়ন কৰিবলৈ সক্ষম হৈছে। এটা সময়ত প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্যতাৰ বিষয়টো গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰা হৈছিল যদিও সেই সময়তো এই সম্পদৰাজি উৎপাদনী প্ৰক্ৰিয়াৰ যোগেদিহে ৰূপান্তৰ ঘটাব লাগিছিল।

দেশ এখনৰ আৰ্থিক সম্পদ বা দেশখনৰ প্ৰগতি কেৱল প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্যতাৰ ওপৰতে নিৰ্ভৰশীল বুলি ভবাৰ যুক্তিযুক্ততা নাই। মূল কথা হ'ল— কেনেকৈ এই প্ৰাকৃতিক সম্পদসমূহ উৎপাদন প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা হৈছে আৰু তাৰ ফলস্বৰূপে এই প্ৰক্ৰিয়াৰ যোগেদি কেনেকৈ নিৰৱচ্ছিন্নভাৱে দেশৰ আয় আৰু সম্পদৰ সৃষ্টি কৰা হৈছে।

এতিয়া আমি এই উৎপাদনী প্ৰবাহ সম্পৰ্কে আলোচনা কৰিম। প্ৰশ্ন হ'ল— কেনেকৈ উৎপাদন প্ৰবাহৰ সৃষ্টি হয়? মানুহে প্ৰাকৃতিক আৰু মানৱসৃষ্ট পৰিৱেশৰ সৈতে তেওঁলোকৰ

শক্তি আৰু সামৰ্থ্য অনুযায়ী এক সুনিৰ্দিষ্ট সামাজিক আৰু প্ৰযুক্তিগত প্ৰণালীৰ যোগেদি উৎপাদন প্ৰবাহৰ সৃষ্টি কৰে। আধুনিক অৰ্থনৈতিক ব্যৱস্থাত এই উৎপাদন প্ৰবাহৰ সৃষ্টি হয় মূলতঃ কোটি কোটি ক্ষুদ্ৰ আৰু বৃহৎ উৎপাদন প্ৰতিষ্ঠানসমূহে সৃষ্টি কৰা দ্ৰব্য আৰু সেৱাৰ উৎপাদনী প্ৰক্ৰিয়াৰ যোগেদি। এই উৎপাদন প্ৰতিষ্ঠানসমূহৰ ভিতৰত বহুসংখ্যক মানুহ নিয়োজিত হৈ থকা বৃহৎ প্ৰতিষ্ঠান (Giant Corporations)ৰ পৰা এজন মাত্ৰ উদ্যোগীয়ে পৰিচালনা কৰা প্ৰতিষ্ঠানো আছে। কিন্তু উৎপাদনৰ পৰৱৰ্তী সময়ত উৎপাদিত দ্ৰব্যসমূহ কি হয়? প্ৰতিটো উৎপাদিত সামগ্ৰীৰ উৎপাদনকাৰীবোৰৰ মূল উদ্দেশ্য হ'ল স্ব-উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰা। সেইবোৰ ক্ষুদ্ৰ পিন বা বুটাম এটাৰ পৰা আৰম্ভ কৰি এৰ'প্লেন, অট'ম'বাইল কিম্বা বৃহৎ যন্ত্ৰপাতি বা বিক্ৰীযোগ্য সেৱাসমূহ যেনে ডাক্তৰ, আইনজ্ঞ, বিত্তীয় পৰামৰ্শদাতা আদিৰ সেৱালৈকে সকলোবোৰ উৎপাদিত দ্ৰব্য আৰু সেৱা উপভোক্তাৰ ওচৰত বিক্ৰী কৰা হয়। উপভোক্তাজন এজন ব্যক্তি বা এখন প্ৰতিষ্ঠানো হ'ব পাৰে আৰু তেওঁলোকে ক্ৰয় কৰা দ্ৰব্য বা সেৱাসমূহ চূড়ান্ত (Final) ব্যৱহাৰৰ বাবে পুনৰ উৎপাদনমূলক কাৰ্যৰ বাবে পুনৰ ব্যৱহাৰৰ বাবেও হ'ব পাৰে। যেতিয়া দ্ৰব্য বা সেৱাসমূহ কোনো উৎপাদনমূলক কাৰ্যৰ বাবে পুনৰ ব্যৱহাৰ কৰা হয়, তেতিয়া এক বিশেষ উৎপাদন প্ৰক্ৰিয়াৰ যোগেদি পৰিবৰ্তিত ৰূপ পোৱাৰ পিচত সেই দ্ৰব্য বা সেৱাসমূহে নিজৰ বৈশিষ্ট্যৰাজি হেৰুৱাই পেলায়। উদাহৰণস্বৰূপে এজন কপাহ খেতিয়কে যেতিয়া কপাহবোৰ সূতাকটা কলত বিক্ৰী কৰে, তেতিয়া এই কেঁচা কপাহবোৰ সূতালৈ পৰিৱৰ্তন হয়। আকৌ এই সূতাবোৰ কাপোৰৰ কলত বিক্ৰী কৰাৰ পিচত সেই দ্ৰব্যসমূহক এক উৎপাদনী প্ৰক্ৰিয়াৰ মাজেৰে কাপোৰলৈ ৰূপান্তৰ ঘটোৱা হয়। আৰু এই কাপোৰবোৰকো এক উৎপাদনী প্ৰক্ৰিয়াৰ যোগেদি বিভিন্ন কাপোৰৰ সামগ্ৰীলৈ ৰূপান্তৰ কৰি চূড়ান্ত ব্যৱহাৰৰ বাবে উপভোক্তাৰ ওচৰত বিক্ৰীৰ বাবে সাজু কৰি তোলা হয়। এনেদৰেই যেতিয়া কোনো দ্ৰব্য চূড়ান্ত ব্যৱহাৰৰ বাবে প্ৰস্তুত হৈ উঠে আৰু অতিৰিক্ত উৎপাদনী প্ৰক্ৰিয়াৰ মাজেৰে পাৰ হৈ পুনৰ ৰূপান্তৰ ঘটাৰ কোনো সম্ভাৱনা নাথাকে তেনে সামগ্ৰীসমূহক চূড়ান্ত দ্ৰব্য বোলা হয় (Final Goods)।

আমি কিয় এই দ্ৰব্যসমূহক চূড়ান্ত দ্ৰব্য বুলি কওঁ? কিয়নো এবাৰ বিক্ৰী কৰাৰ পিচত

এইবোৰ সক্ৰিয় উৎপাদন প্ৰবাহৰ পৰা একেবাৰে আঁতৰি যায়। এই দ্ৰব্যসমূহ উৎপাদনকাৰীৰ হাতত পুনৰ কোনোধৰণৰ ৰূপান্তৰ নঘটে। সৰ্বশেষ ক্ৰেতাৰ হাততে এইসমূহ দ্ৰব্যৰ অন্তিম ৰূপান্তৰ ঘটে। বহুতো চূড়ান্ত দ্ৰব্যৰ ৰূপান্তৰ কেৱল উপভোগৰ যোগেদি হয়। উদাহৰণস্বৰূপে উপভোক্তাই ক্ৰয় কৰি অনা চাহপাত সেই ৰূপতে উপভোগ কৰা নহয়। সেইবোৰ চাহ তৈয়াৰ কৰিহে উপভোগ কৰিব পৰা যায়। ঠিক সেইদৰে আমাৰ ৰান্ধনীশাললৈ অনা নানা তৰহৰ সামগ্ৰীৰো ৰন্ধন প্ৰক্ৰিয়াৰ যোগেদিহে ৰূপান্তৰ ঘটোৱা হয়। কিন্তু ঘৰত ৰন্ধা প্ৰক্ৰিয়াটো এটা অৰ্থনৈতিক কাৰ্য নহয়; যদিও এই প্ৰক্ৰিয়াটোত দ্ৰব্যৰ ৰূপান্তৰ ঘটে। কিয়নো ঘৰত ৰন্ধা দ্ৰব্যসমূহ বজাৰত বিক্ৰী কৰা নহয়। কিন্তু সেই একেই ৰন্ধন সামগ্ৰী বা চাহ যদি এখন হোটেলত তৈয়াৰ কৰি গ্ৰাহকক বিক্ৰী কৰা হয়, তেনেহ'লে এইসমূহ দ্ৰব্য চূড়ান্ত দ্ৰব্য হিচাপে চিহ্নিত হ'ব আৰু এই দ্ৰব্যসমূহ অৰ্থনৈতিক মূল্য সংযোজনৰ আহিলা হৈ পৰিব। সেইবাবেই কোনো এটা দ্ৰব্য ইয়াৰ অৰ্থনৈতিক ব্যৱহাৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিহে চূড়ান্ত দ্ৰব্য হয়নে নহয় নিশ্চিত কৰিব পাৰি; দ্ৰব্যবিধৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি নহয়।

চূড়ান্ত দ্ৰব্যসমূহ উপভোগ্য দ্ৰব্য আৰু মূলধনী দ্ৰব্য (Consumption goods and capital goods); এই দুটা ভাগত ভগাব পাৰি। খাদ্য, বস্ত্ৰ আৰু বিনোদনৰ সেৱাসমূহ যিবোৰ চূড়ান্ত উপভোক্তাই উপভোগৰ বাবে ক্ৰয় কৰে, সেইসমূহ দ্ৰব্যক উপভোগ্য সামগ্ৰী (Consumption goods or consumer goods) বোলা হয়, (ইয়াৰ ভিতৰত উপভোগ্য সেৱাসমূহো অন্তৰ্ভুক্ত হয় যদিও সুবিধাৰ বাবে আমি ইয়াক উপভোগ্য দ্ৰব্য হিচাপেই আলোচনা কৰিম)।

আনহাতে এনে কেতবোৰ দ্ৰব্য আছে যি দ্ৰব্যসমূহ স্থায়ী প্ৰকৃতিৰ আৰু সেই দ্ৰব্যসমূহ উৎপাদন কাৰ্যত ব্যৱহৃত হয়। এই দ্ৰব্যসমূহ হ'ল— যন্ত্ৰপাতি আৰু প্ৰায়োগিক আহিলা ইত্যাদি। যেতিয়া এইধৰণৰ দ্ৰব্যসমূহ আন দৃশ্যমান সামগ্ৰী উৎপাদন কাৰ্যত ব্যৱহাৰ কৰা হয়, সেইসমূহৰ কোনো ৰূপান্তৰ নঘটে। যদিও এইবোৰ সৰ্বশেষ দ্ৰব্য বা চূড়ান্ত দ্ৰব্য (Final goods) বুলি কোৱা হয়, কিন্তু এইবিলাক দ্ৰব্য উপভোগৰ বাবে ব্যৱহাৰ কৰা নহয়।

আন আন চূড়ান্ত দ্ৰব্যৰ দৰে নহ'লেও এইধৰণৰ দ্ৰব্যসমূহ যিকোনো উৎপাদন প্ৰক্ৰিয়াৰ বাবে মেৰুদণ্ডস্বৰূপ, এইসমূহ দ্ৰব্যৰ বাবেই কোনো উৎপাদন প্ৰক্ৰিয়া এটা সম্ভৱপৰ হৈ উঠে। এইসমূহ দ্ৰব্যই মূলধনৰ এটা অংশ গঠন কৰে। উৎপাদনৰ এক অতি গুৰুত্বপূৰ্ণ উপাদান হিচাপে বিবেচনা কৰি উৎপাদনকাৰীসকলে এই দ্ৰব্যসমূহত বিনিয়োগ কৰে আৰু ইয়াৰ দ্বাৰা উৎপাদনী প্ৰক্ৰিয়াটো গতিশীল হৈ থাকে। এই সামগ্ৰীসমূহেই হ'ল মূলধনী সামগ্ৰী (Capital goods)। সময়ৰ লগে লগে এই সামগ্ৰীবোৰৰ ক্ষয়-ক্ষতি হোৱাৰ বাবে মেৰামতি কিম্বা সলনি কৰিবলগা হয়। সময় অতিবাহিত হোৱাৰ লগে লগে অৰ্থনীতি এখনৰ মূলধন মজুতকৰণ, সংৰক্ষণ, মেৰামতি আৰু আংশিক অথবা সম্পূৰ্ণ নৱীকৰণৰ প্ৰয়োজন হয়। আমাৰ পৰৱৰ্তী আলোচনাৰ বাবে এইবোৰ অতি প্ৰয়োজনীয়।

উল্লেখযোগ্য যে দূৰদৰ্শন, কম্পিউটাৰ, অট'ম'বাইল আদিৰ দৰে সামগ্ৰীসমূহ যদিও চূড়ান্ত উপভোগৰ বাবেহে, তথাপি এইবোৰ সামগ্ৰীত মূলধনী সামগ্ৰীৰ দৰে এক সাধাৰণ বৈশিষ্ট্য পৰিলক্ষিত হয়। এই বৈশিষ্ট্যটো হ'ল সামগ্ৰীসমূহৰ স্থায়িত্ব। হ্ৰস্বকালীন বা মধ্যৱৰ্তী উপভোগৰ জৰিয়তে এইবোৰ দ্ৰব্য লোপ নাপায়। খাদ্য বা বস্ত্ৰৰ দৰে সামগ্ৰীবোৰৰ তুলনাত এনে দ্ৰব্যবোৰৰ স্থায়িত্ব অধিক। এনে সামগ্ৰীবোৰৰো সময়ৰ লগে লগে ক্ষয়-ক্ষতি (depreciation) হয়। যন্ত্ৰ-পাতিৰ দৰে এইবোৰ সামগ্ৰীৰো সংৰক্ষণ, মেৰামতি কিম্বা নবীকৰণৰ প্ৰয়োজন হয়। সেইবাবে এইধৰণৰ সামগ্ৰীবোৰক স্থায়ী উপভোক্তাৰ সামগ্ৰী (Consumer durables) বোলা হয়।

যদি আমি অৰ্থনীতিখনৰ উৎপাদিত সকলো চূড়ান্ত দ্ৰব্য (Final goods) আৰু সেৱাক এক প্ৰদত্ত সময়ত বিবেচনালৈ আনো, তেনেহ'লে এইসমূহ হয় উপভোগ্য সামগ্ৰী (স্থায়ী অথবা অস্থায়ী) নতুবা মূলধনী সামগ্ৰীৰ অন্তৰ্ভুক্ত হ'ব। চূড়ান্ত দ্ৰব্য হোৱা বাবে এইবোৰ পুনৰ অৰ্থনৈতিক প্ৰক্ৰিয়াৰ যোগেদি ৰূপান্তৰ নঘটে।

অৰ্থনীতি এখনৰ সামগ্ৰিক উৎপাদন প্ৰক্ৰিয়াটোত এক বুজনসংখ্যক উৎপাদিত দ্ৰব্য চূড়ান্ত উপভোগৰ জৰিয়তে শেষ হৈ নাযায় কিম্বা এনেবোৰ দ্ৰব্য মূলধনী দ্ৰব্যৰ শাৰীতো

নপৰে। এই সামগ্ৰীবোৰ আন উৎপাদনকাৰীয়ে ভৌতিক আহিলা হিচাপে ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে তীখাৰ পাটিবোৰ অট'ম'বাইল কাৰখানাত ব্যৱহাৰ কৰা হয়। ঘৰুৱা আচবাব তৈয়াৰ কৰোতে তামৰ ব্যৱহাৰ হয়। এনেধৰণৰ দ্ৰব্যবোৰ হ'ল মধ্যৱৰ্তী দ্ৰব্য (Intermediate) আৰু এইবোৰ সাধাৰণতে কেঁচা সামগ্ৰী বা আন আন দ্ৰব্য উৎপাদন প্ৰক্ৰিয়াত আহিলা হিচাপে ব্যৱহৃত হয়। এইসমূহ চূড়ান্ত দ্ৰব্য (Final goods) নহয়। এইসমূহ দ্ৰব্যক চূড়ান্ত দ্ৰব্য (Final goods) বুলি বিবেচনা কৰিব নোৱাৰি। দেশত উৎপাদিত হোৱা সামগ্ৰীসমূহৰ এক সম্যক ধাৰণা লাভ কৰিবলৈ হ'লে সকলোবোৰ চূড়ান্ত সামগ্ৰীৰ এক সাংখ্যিক পৰিমাপ (quantitative measure) কৰিব লাগিব। এইটো সম্পন্ন কৰিবলৈ আমাক এটা সাধাৰণ পৰিমাপ পদ্ধতিৰ প্ৰয়োজন। আমি মিটাৰ হিচাপে উৎপাদিত কাপোৰ কেতিয়াও টন হিচাপে উৎপাদিত চাউল কিম্বা অট'ম'বাইলৰ সংখ্যাৰ সৈতে যোগ কৰিব নোৱাৰো। গতিকে এইক্ষেত্ৰত আমাৰ সাধাৰণ পৰিমাপক হ'ল মুদ্ৰা। যিহেতু প্ৰতিবিধ সামগ্ৰীয়েই মুদ্ৰাৰ মাধ্যমত বিক্ৰী কৰা হয়, সেই বাবে বিভিন্ন প্ৰকাৰৰ সামগ্ৰীবোৰৰ সৰ্বমুঠ মুদ্ৰা মূল্যৰ পৰাই চূড়ান্ত দ্ৰব্য উৎপাদনৰ পৰিমাণৰ বিষয় জানিব পাৰি। কিন্তু আমি কিয় কেৱল চূড়ান্ত দ্ৰব্যসমূহৰহে পৰিমাপ কৰিব বিচাৰো? মধ্যৱৰ্তী দ্ৰব্যসমূহো যিকোনো উৎপাদন প্ৰক্ৰিয়াৰ বাবে নিশ্চিতভাৱে অতি গুৰুত্বপূৰ্ণ আহিলা আৰু আমাৰ মানৱশক্তি তথা মূলধনৰ এক বুজন অংশ এইসমূহ দ্ৰব্য উৎপাদনৰ সৈতে জড়িত হৈ থাকে। কিন্তু আমি যিহেতু উৎপাদনসমূহৰ মুদ্ৰা মূল্যহে বিবেচনা কৰো, সেই বাবে চূড়ান্ত দ্ৰব্যসমূহৰ মূল্য পৰিমাপনত মধ্যৱৰ্তী দ্ৰব্যসমূহৰ মূল্যও অন্তৰ্ভুক্ত হৈ থাকে; কিয়নো এইসমূহ দ্ৰব্য চূড়ান্ত দ্ৰব্যসমূহৰ উৎপাদনী প্ৰক্ৰিয়াত আহিলা হিচাপে ব্যৱহৃত হৈ থাকে। যদি আমি এনে দ্ৰব্যবোৰৰ মূল্য পৃথকে পৰিমাপ কৰো, তেনেহ'লে দুবাৰ গণনাৰ (double counting) ভুল কৰা হ'ব। অৱশ্যে যদিও মধ্যৱৰ্তী দ্ৰব্যবোৰ বিবেচনালৈ আনিলে আমি সামগ্ৰিক অৰ্থনৈতিক কাৰ্যাৱলীৰ এক বিতং ব্যাখ্যা লাভ কৰিবলৈ সক্ষম হওঁ, তথাপি মধ্যৱৰ্তী সামগ্ৰীৰ মূল্যৰ পৃথক পৰিমাপ কৰিলে অৰ্থনৈতিক কাৰ্যাৱলীৰ চূড়ান্ত মূল্যৰ পৰিমাণ এক অহেতুক বৃদ্ধি পাব।

আলোচনাৰ এই পৰ্যায়ত মজুত (Stocks) আৰু প্ৰবাহৰ (Flows) ধাৰণাকেইটা

পৰিচয় কৰি দিয়াটো অতি প্ৰয়োজনীয়। সচৰাচৰ আমি কওঁ যে কোনো ব্যক্তিৰ গড় দৰমহাৰ পৰিমাণ 10,000 টকা; তীখা কাৰখানা এটাৰ মুঠ উৎপাদনৰ পৰিমাণৰ বহু টন বা বহু টকা মূল্যৰ ইত্যাদি। কিন্তু এনেধৰণৰ মন্তব্যসমূহ অসম্পূৰ্ণ। কিয়নো এই মন্তব্যসমূহৰ পৰা এইটো স্পষ্ট নহয় যে ব্যক্তিজনৰ বাৰ্ষিক, মাহিলি নে দৈনিক আয়ৰ কথা কোৱা হৈছে। নিশ্চিতভাৱে ই ব্যক্তিজনাৰ প্ৰকৃত আয়ৰ স্বৰূপটো দাঙি ধৰিব নোৱাৰে। কেতিয়াবা আমি ধৰি লওঁ যে বিষয়টো আমাৰ জ্ঞাত হোৱাৰ বাবে ইয়াত সময়সীমাৰ কথা উল্লেখ কৰা হোৱা নাই। নিৰ্দিষ্ট সময়সীমাৰ উল্লেখ নাথাকিলে এনেকুৱাধৰণৰ কথাবোৰ অৰ্থহীন হৈ পৰে। আয়, উৎপাদন নতুবা লাভ প্ৰভৃতি এনে কেতবোৰ ধাৰণা যিবোৰ কেৱল নিৰ্দিষ্ট সময়সীমাৰ অৱস্থাতহে প্ৰাসংগিক হৈ উঠে। এইবোৰক প্ৰবাহ (Flows) বোলা হয়। কিয়নো এই ধাৰণাসমূহ সময়ৰ সৈতেহে প্ৰযোজ্য। এইবোৰৰ সাংখ্যিকীয় পৰিমাপৰ বাবে এক নিৰ্দিষ্ট সময়সীমাৰ উল্লেখ কৰাটো জৰুৰী। অৰ্থনীতি এখনত বাৰ্ষিক হিচাপত বহুতো হিচাপ-নিকাচ চলোৱা হয়। ইয়াৰ বহুসংখ্যক হিচাপ বছৰেকীয়া হিচাপত প্ৰকাশ কৰা হয়। যেনে বাৰ্ষিক লাভ বা বাৰ্ষিক উৎপাদন ইত্যাদি। প্ৰবাহৰ সংজ্ঞা সদায় এক নিৰ্ধাৰিত সময়ৰ ভিত্তিতহে দাঙি ধৰা হয়।

ইয়াৰ বিপৰীতে মূলধনী সামগ্ৰী বা স্থায়ী উপভোক্তাৰ সামগ্ৰীসমূহ এবাৰ উৎপাদনৰ পিচত কোনো নিৰ্দিষ্ট সময়সাপেক্ষে উপভোগ কৰা নহয়। মূলধনী সামগ্ৰীসমূহে বিভিন্ন উৎপাদন চক্ৰৰ মাজেৰে আমাৰ সেৱা কৰে। কাৰখানা এটাৰ যন্ত্ৰ-পাতি বা ঘৰটো কোনো সময়ৰ সৈতে সম্পৰ্কিত নহয়। এইবোৰৰ সংযোগ বা বিয়োজন ঘটিব পাৰে যদিহে নতুন যন্ত্ৰ-পাতিৰ সংযোজন ঘটোৱা হয় নতুবা বিকাশ হোৱা যন্ত্ৰ-পাতিবোৰৰ পুনৰ সংস্থাপন কৰা নহয়। এইসমূহক মজুত (Stocks) বুলি কোৱা হয়। এক নিৰ্দিষ্ট সময় বিন্দুতহে মজুতৰ সংজ্ঞা দিয়া হয়। এক নিৰ্ধাৰিত সময়ৰ ভিত্তিতহে আমি মজুতৰ পৰিৱৰ্তনৰ পৰিমাপ কৰিব পাৰো। যেনে এটা বছৰত কিমান যন্ত্ৰ-পাতিৰ সংযোগ ঘটিল। মজুতৰ এনে সাল-সলনিয়েই হ'ল প্ৰবাহ আৰু ইয়াক নিৰ্ধাৰিত সময়সাপেক্ষেহে পৰিমাপ কৰিব পাৰি। এটা যন্ত্ৰ বহু বছৰ ধৰি মূলধনী মজুতৰ অংশ হৈ থাকিব পাৰে (যেতিয়ালৈ ই বিকল হৈ নাযায়)। কিন্তু সেই

যন্ত্রটো নতুনকৈ মূলধনী মজুতত সংযোগ ঘটোৱা নিৰ্ধাৰিত বছৰ এটাৰ নতুন যন্ত্ৰ-পাতিৰ প্ৰবাহৰ অংশহে হ'ব পাৰিব। মজুত চলক আৰু প্ৰবাহিত চলকৰ মাজৰ পাৰ্থক্য বুজিবলৈ এটা উদাহৰণ লোৱা যাওক। ধৰা হ'ল এটা টেপৰ পৰা অহা পানীৰে এটা পুখুৰী ভৰ্তি কৰা হ'ল। প্ৰতি মিনিটত টেপৰ পৰা পুখুৰীটোলৈ যিমান পৰিমাণৰ পানী প্ৰবাহিত হৈছে, সেই পৰিমাণেই হ'ল প্ৰবাহ। আনহাতে কোনো এক নিৰ্দিষ্ট সময়ত পুখুৰীটোত যি পৰিমাণৰ পানী জমা আছে সেয়ে হ'ল মজুত। আমাৰ পূৰ্বৰ আলোচনাত চূড়ান্ত দ্ৰব্যৰ পৰিমাপনৰ বেলিকা মূলধনী দ্ৰব্যৰ অংশটো যিয়েই গঠন কৰিছিল, সেই অংশটোৱেই অৰ্থনীতি এখনৰ মুঠ বিনিয়োগ (Gross investment) নিৰ্দেশ কৰে।[1] এইবোৰ হ'ল যন্ত্ৰ-পাতি, আহিলা, ঘৰ-দুৱাৰ, কাৰ্যালয়, ৰাস্তা-ঘাট, দলং, বিমানকোঠ আদি আন্তঃগাঁথনিসমূহ। কিন্তু এটা নিৰ্ধাৰিত বছৰত উৎপাদিত সকলোবোৰ মূলধনী দ্ৰব্যই চলিত মূলধনী মজুতৰ পৰিমাণ বৃদ্ধি কৰিব বুলি ক'ব নোৱাৰি। কিয়নো উৎপাদিত মূলধনী দ্ৰব্যৰ এক বুজন অংশ চলিত মূলধনী মজুতৰ সাল-সলনি বা মেৰামতিৰ কামত ব্যৱহাৰ কৰা হয়। কিয়নো চলিত মূলধনী মজুতৰ ক্ষয়-ক্ষতি হোৱাৰ বাবে মেৰামতিৰ প্ৰয়োজন হয়। নিগুট বিনিয়োগৰ (Net investment) পৰিমাণ কৰোতে সেইবাবে আমি সদায় এই ক্ষয়-ক্ষতিজনিত বা মেৰামতিৰ কামত ব্যৱহৃত মূলধনী সামগ্ৰীৰ মূল্য সৰ্বমুঠ বিনিয়োগৰ পৰা বাদ দিব লাগে। তেতিয়াহে নিগুট বা প্ৰকৃত বিনিয়োগৰ শুদ্ধ হিচাপ পোৱা যায়। মুঠ বিনিয়োগৰ পৰা মূলধনৰ চলিত ক্ষয়-ক্ষতিৰ বাবদ যি পৰিমাণৰ মূল্য বাদ দিয়া হয় সেই অংশটোকে মূলধনৰ ক্ষয়-ক্ষতি (depreciation) বোলা হয়।

সেইবাবে অৰ্থনীতি এখনৰ মূলধনী মজুতত নতুনকৈ হোৱা সংযোজনৰ পৰিমাণ নিগুট বিনিয়োগ বা নতুন মূলধন গঠনৰ মাধ্যমত পৰিমাপ কৰা হয়। ইয়াক নিম্নোক্তধৰণে প্ৰকাশ কৰিব পাৰি।

---

[1] এনেকৈয়ে অৰ্থনীতিবিদসকলে বিনিয়োগৰ সংজ্ঞা দাঙি ধৰে। আমি সাধাৰণভাৱে বিনিয়োগ বুলিলে বিত্তীয় পৰিসম্পদ বা অন্যান্য সম্পদ মুদ্ৰাৰ মাধ্যমত ক্ৰয় কৰা বুলি ধৰা কথাটোৰ সৈতে বিনিয়োগৰ এই ধাৰণাৰ কোনো মতানৈক্য হোৱা অনুচিত। বিনিয়োগ হ'ল আমাৰ বাবে কেৱল মূলধনৰ গঠন। মূলধন মূলধন মজুতলৈ নিগুট বা মুঠ সংযোজন।

নিগুট বিনিয়োগ = মুঠ বিনিয়োগ – মূলধনৰ ক্ষয়-ক্ষতি।

(Net Investment = Gross Investment – Depreciation)

এতিয়া এই ক্ষয়-ক্ষতিৰ ধাৰণাটো অলপ বিস্তৃতভাৱে আলোচনা কৰা হওক। ধৰা হ'ল কোনো এক উদ্যোগ প্ৰতিষ্ঠানে এটা নতুন যন্ত্ৰ ক্ৰয় কৰিছে। ধৰা হ'ল যন্ত্ৰটোৱে অনাগত 20 বছৰৰ বাবে সেৱা আগবঢ়াব আৰু তাৰ পিচতহে ইয়াৰ মেৰামতি কিম্বা সলনিৰ প্ৰয়োজন হ'ব। এতিয়া আমি ধৰি লওঁ যে প্ৰতি বছৰেই যন্ত্ৰটো উৎপাদন কাৰ্যত ব্যৱহাৰ কৰি থকাৰ ফলস্বৰূপে যন্ত্ৰটোৰ প্ৰকৃত মূল্যৰ 1/10 অংশকৈ বাৰ্ষিক ক্ষয় হৈছে। আমি 20 বছৰৰ অন্তত যন্ত্ৰটোৰ বদলিৰ বাবদ হোৱা বৃহৎ পৰিমাণৰ বিনিয়োগৰ কথা বিবেচনালৈ নানি প্ৰতি বছৰে হোৱা বাৰ্ষিক ক্ষয়-ক্ষতিৰ ব্যয়হে বিবেচনা কৰিম। এইটোৱেই হ'ল ক্ষয়-ক্ষতিজনিত ধাৰণাটো ব্যৱহাৰ কৰাৰ প্ৰকৃত নীতি। এই ধাৰণাটোৰ মাজত নিহিত হৈ থাকে যিকোনো মূলধনী সামগ্ৰীৰ প্ৰত্যাশিত আয়ুস। উক্ত উদাহৰণটোত উল্লেখ কৰা যন্ত্ৰটোৰ ক্ষেত্ৰত ইয়াৰ আয়ুস 20 বছৰ বুলি কোৱা হৈছে। গতিকে ক্ষয়-ক্ষতিজনিত ব্যয়কে মূলধনী সামগ্ৰী এবিধৰ বাৰ্ষিক ক্ষয়-ক্ষতিজনিত ব্যয়ক বুজায়।[2] আন কথাত মূলধনী সামগ্ৰীবিধৰ ব্যয়ক ইয়াৰ ব্যৱহাৰযোগ্য বয়সৰ সংখ্যাৰে হৰণ কৰিলে ক্ষয়-ক্ষতিৰ পৰিমাণ পোৱা যায়।[3]


মন কৰিবলগীয়া যে ক্ষয়-ক্ষতিৰ ধাৰণাটো এটা হিচাপৰক্ষণৰ ধাৰণা। প্ৰতি বছৰে প্ৰকৃত ব্যয়ৰ হিচাপ নহ'লেও ক্ষয়-ক্ষতিৰ পৰিমাণৰ কিন্তু গণনা কৰা হয়। অৰ্থনীতি এখনত হেজাৰ হেজাৰ প্ৰতিষ্ঠানে বিভিন্ন ব্যৱহাৰযোগ্য সময়সীমাৰ নানা তৰহৰ যন্ত্ৰ-পাতি ব্যৱহাৰ কৰে আৰু এটা নিৰ্দিষ্ট বছৰত কিছুমান প্ৰতিষ্ঠানেহে পৰ্যাপ্ত সাল-সলনিৰ বাবদ মোটা অংকৰ ব্যয় বহন কৰিবলগা হয়। সেয়েহে আমি বাস্তৱিকতে ধৰি লওঁ যে বাৰ্ষিক সাল-

---

[2] মূলধনৰ ক্ষয়-ক্ষতিজনিত ব্যয়ে দুৰ্ঘটনা, প্ৰাকৃতিক দুৰ্যোগ বা আন তেনেধৰণৰ অস্বাভাৱিক পৰিবেশৰ ফলত হোৱা মূলধনৰ অনাকাংক্ষিত বা হঠাৎ হোৱা ধ্বংস অথবা অপব্যৱহাৰক নুবুজায়।

[3] মূলধনৰ বা পৰিসম্পত্তিৰ ওপৰত ভিত্তি কৰি আমি ইয়াত মূলধনৰ অপৰিবৰ্তিত ক্ষয়-ক্ষতিৰ হাৰৰ সৰল অভিধাৰণা লৈছো। বাস্তৱত মূলধনৰ ক্ষয়-ক্ষতিৰ জোখ লোৱাৰ বাবে আন আন পদ্ধতিও আছে।

সলনিজনিত ব্যয়ৰ গতি অতি সুস্থিৰ আৰু ই অৰ্থনীতিখনৰ বাৰ্ষিক ক্ষয়-ক্ষতিজনিত ব্যয় হিচাপৰ স'তে কম-বেছি পৰিমাণে একে হয়। ইতিপূৰ্বে আলোচনা কৰি অহা অৰ্থনীতি এখনৰ বাৰ্ষিক উৎপাদিত মুঠ চূড়ান্ত দ্ৰব্যসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰে কেতবোৰ উপভোগ্য দ্ৰব্য আৰু সেৱা সামগ্ৰী (Consumer goods and services) আৰু কিছুমান মূলধনী সামগ্ৰী (Capital goods)। এই উপভোগ্য সামগ্ৰীসমূহে অৰ্থনীতিখনৰ মুঠ জনসমষ্টিৰ উপভোগ বৰ্তাই ৰাখে। উপভোগ্য সামগ্ৰীসমূহৰ ক্ৰয় নিৰ্ভৰ কৰে জনসমষ্টিৰ ব্যয় সামৰ্থ্যৰ ওপৰত; যিটো মূলতঃ তেওঁলোকৰ আয়ৰ ওপৰত নিৰ্ভৰশীল। আনহাতে চূড়ান্ত দ্ৰব্যসমূহৰ আনটো ভাগ অৰ্থাৎ মূলধনী দ্ৰব্যসমূহ বাণিজ্যিক প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ মূলধনী মজুতৰ পৰিমাণ বঢ়াবলৈ ক্ৰয় কৰে আৰু ইয়াৰ সহায়ত তেওঁলোকে উৎপাদনী প্ৰবাহ নিৰৱচ্ছিন্নভাৱে চলাই থাকে। এটা নিৰ্দিষ্ট সময়ত ধৰা হ'ল যে এটা বছৰত উৎপাদিত চূড়ান্ত দ্ৰব্যসমূহক সেয়েহে দুটা ভাগত ভগাব পাৰি, উপভোগ্য সামগ্ৰী আৰু মূলধনী সামগ্ৰী আৰু স্বাভাৱিকতে এই দুয়োবিধৰ মাজৰ সম্পৰ্ক বিপৰীতধৰ্মী। অৰ্থাৎ অৰ্থনীতি




**আদাম স্মিথ**

আদাম স্মিথক আধুনিক অৰ্থবিজ্ঞানৰ পিতৃৰূপে গণ্য কৰা হয়। জন্মসূত্ৰে তেওঁ স্কটলেণ্ডৰ নাগৰিক আছিল যদিও গ্লাছগো বিশ্ববিদ্যালয়ত তেওঁ অধ্যাপনা কৰিছিল। দাৰ্শনিক ভাৱধাৰাৰে পৰিপুষ্ট, তেওঁৰ যুগান্তকাৰী কিতাপ 'An enduiry into the Nature and Causes of the wealth of Nations (1776)'-এ অৰ্থবিজ্ঞানৰ ক্ষেত্ৰত এক বিপুল অৰিহণা যোগাইছে। তেওঁৰ কিতাপত সন্নিৰিষ্ট 'It is not from the benerfence of the butcher, the brewer of the baker, that we expect our dinner, but from their regard to their own interest we address ourselves not to their humanity .... to their self .... and never talk to them of our own necessities but of their advantage' কথাখিনিৰ জৰিয়তে আমি ক'ব পাৰো যে তেওঁ মুক্ত অৰ্থনীতিৰ হকে মাত মাতিছিল।

এখনত উৎপাদিত চলিত চূড়ান্ত সামগ্ৰীসমূহৰ ভিতৰত যদি উপভোগ্য সামগ্ৰী অধিক হাৰত উৎপাদন কৰা হয়, তেন্তে বিনিয়োগ সামগ্ৰীৰ উৎপাদন হ্ৰাস পাব অথবা যদি মূলধনী সামগ্ৰী অধিক হাৰত বৃদ্ধি পায়, তেতিয়া উপভোগ্য সামগ্ৰীৰ পৰিমাণ কমি যাব।

আমি লক্ষ্য কৰিম যে কেনেকৈ এই একক যোগাত্মক সম্পৰ্কটোৱে বহুমুখী সম্পৰ্কৰ বাবে জটিল ৰূপ পায়। যিকোনো অৰ্থনীতিৰ উপভোগ প্ৰয়োজনীয়তাৰ মূল লক্ষ্যবোৰ উপভোগ্য সামগ্ৰীসমূহে বৰ্তাই ৰাখে। উপভোগ বুলিলে জীৱন নিৰ্বাহৰ প্ৰাথমিক প্ৰয়োজনীয়তাৰ পৰা আৰম্ভ কৰি অভিজাত জীৱনশৈলীলৈকে সামৰি লোৱা হয়। মানুহ মাত্ৰেই জীয়াই থাকিবলৈ বা কাম কৰিবলৈ খাদ্য উপভোগৰ প্ৰয়োজন। ইয়াকে জীৱন নিৰ্বাহৰ প্ৰাথমিক প্ৰয়োজনীয়তা বুলি কোৱা হয়। খাদ্য জীৱন নিৰ্বাহৰ প্ৰাথমিক প্ৰয়োজনীয়তা বুলি কোৱা হয়। বস্ত্ৰ আৰু বাসস্থানৰ সহায়ত আমি কৰ্মক্ষম হৈ থাকো। কিন্তু মানৱ সমাজৰ প্ৰগতি আৰু বিকাশৰ লগে লগে মানুহৰ প্ৰয়োজনীয়তাবোৰৰ প্ৰসাৰ ঘটিছে আৰু ই



### জন মেইনাৰ্ড কেইন্‌ছ

জন মেইনাৰ্ড কেইন্‌ছে ১৮৮৩ চনত জন্মগ্ৰহণ কৰিছিল। তেওঁ বিটেইনৰ Kings College (কেমব্ৰীজ)ত শিক্ষাগ্ৰহণ কৰিছিল আৰু পিচত সেইখন কলেজৰে তেওঁ Dean হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰখৰ বুদ্ধিসম্পন্ন কেইন্‌ছে প্ৰথম মহাসমৰৰ পিচত আন্তৰ্জাতিক কুটনীতিৰ ক্ষেত্ৰত বিশেষভাৱে জড়িত আছিল। তেওঁৰ দুখন যুগান্তকাৰী কিতাপ হ'ল (1) 'The Economic Consefluences of the peace (1919)' আৰু (2) 'The General Theory of Employment, Interest and Money (1936)'। এওঁৰ পিচৰখন গ্ৰন্থই কুৰি শতিকাত অৰ্থনীতিৰ ক্ষেত্ৰত এক বিপ্লৱৰ সূচনা কৰিছিল। প্ৰথমখন কিতাপৰ জৰিয়তে বিশ্বযুদ্ধৰ শান্তি আলোচনা যে বাধাপ্ৰাপ্ত হ'ব, তাক তেওঁ ভৱিষ্যদ্বাণী কৰিছিল। তেওঁ এজন 'Shrewd foreign currency speculator' হিচাপেও খ্যাত আছিল।

ক্ৰমাগতভাৱে জটিল হৈ পৰিছে। ই কেৱল নিত্য-নতুন প্ৰয়োজনীয় বস্তুসমূহৰ মাজতে আবদ্ধ হৈ থকা নাই। ইয়াৰ লগে লগে নিত্য-নতুন উপভোগ্য সেৱা আৰু সামগ্ৰীসমূহৰো উৎপাদন হ'বলৈ ধৰিছে। এতিয়া জীৱন ধাৰণৰ প্ৰাথমিক প্ৰয়োজনীয়তা বুলিলে কেৱল খাদ্য নতুবা বস্ত্ৰৰ কথাকে কোৱা নহয়। আন কেতবোৰ অত্যাৱশ্যকীয় বিষয় যেনে প্ৰাথমিক শিক্ষা, স্বাস্থ্য সেৱা ইত্যাদিবোৰকো ই সামৰি লৈছে। যদি উপভোগেই অন্তিম লক্ষ্য হয় তেনেহ'লে উপভোগ্য দ্ৰব্য আৰু সেৱাসমূহৰ উভয়ৰে উৎপাদন তথা ক্ৰয় হ'ব লাগিব। দেশৰ উৎপাদিত সামগ্ৰীসমূহ সমাজৰ বিভিন্ন শ্ৰেণীৰ ব্যক্তিৰ মাজত বিতৰণ কৰা হয়। যিবোৰ অৰ্থনীতিত এই সামগ্ৰীসমূহ বিক্ৰী নহ'ব বুলি ভবা হয় তেনে অৰ্থনীতিৰ কথা সচৰাচৰ বিবেচনালৈ নাহে। আমি বিবেচনা কৰা অৰ্থনীতি এখনৰ সকলো সামগ্ৰী উদ্যোগীয়ে বিক্ৰীৰ বাবে উৎপাদন কৰে আৰু এই বিক্ৰীৰ জৰিয়তে উদ্যোগীয়ে লাভ আহৰণৰ চেষ্টা চলায়। সেয়েহে উৎপাদন কাৰ্যৰ দ্বাৰা সাধাৰণতে দুই ধৰণৰ কথা পোহৰলৈ আহে। এটা হ'ল উপভোগ্য সামগ্ৰীসমূহৰ উৎপাদন আৰু আনটো হ'ল এই উৎপাদনৰ সৈতে জড়িত ব্যক্তিসকলৰ আয়-অৰ্জন বা আহৰণ। উদ্যোগীয়ে মূলধনী সামগ্ৰী ক্ৰয় কৰে আৰু উৎপাদন কাৰ্য চলাই নিবলৈ মানুহ নিয়োগ কৰে। উদ্যোগীৰ মূল লক্ষ্য হ'ল উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ জৰিয়তে লাভ আহৰণ কৰা। এই নিয়োগ প্ৰক্ৰিয়াটোৱে নিয়োজিত ব্যক্তিসকলৰ আয় আহৰণৰ সুবিধা যোগায়। নিয়োজিত বক্তিসকলে আহৰণ কৰা আয় আৰু উদ্যোগীয়ে আহৰণ কৰা লাভেই হ'ল বিক্ৰীৰ বাবে উৎপাদিত উপভোগ্য সামগ্ৰীসমূহ ক্ৰয়ৰ মূল আধাৰ।

কিন্তু মূলধনী সামগ্ৰী অবিহনে এই উপভোগ সামগ্ৰীবোৰৰ কোনো অস্তিত্ব নাই। মূলধনী দ্ৰব্য আৰু উপভোগ সামগ্ৰীবোৰ উৎপাদন কৰিবলৈ মানুহৰ শ্ৰম আৰু মূলধন সামগ্ৰীসমূহ যৌথভাৱে কামত লগোৱা হয়। মূলধনী দ্ৰব্যবোৰ যিমানেই অত্যাধুনিক হয়, শ্ৰমিকৰ উৎপাদনশীলতাও সিমানে বৃদ্ধি পায়। পৰম্পৰাগত পদ্ধতিৰে এগৰাকী শিপিনীক এখন শাৰী তৈয়াৰ কৰিবলৈ এমাহপৰ্যন্ত সময় লগাৰ বিপৰীতে আধুনিক যন্ত্ৰচালিত পদ্ধতিত এদিনতে হেজাৰখন শাৰী তৈয়াৰ কৰিব পাৰি। বুৰঞ্জীপ্ৰসিদ্ধ তাজমহল বা পিৰামিড সাজিবলৈ

দশকজোৰা সময়ৰ প্ৰয়োজন হৈছিল। কিন্তু আধুনিক যন্ত্ৰ-পাতি ব্যৱহাৰ কৰি কোনোৱে আকাশলংঘী অট্টালিকা নিচেই কম বছৰতে সাজি উলিয়াব পাৰে। আধুনিক সমাজখনৰ প্ৰগতিৰ মূল পৰিচায়ক হ'ল মূলধনী সামগ্ৰীৰ সংখ্যাগত আৰু গুণগত বৃদ্ধি। যিমানেই আধুনিক আৰু উন্নতমানৰ মূলধনী সামগ্ৰী বৃদ্ধি পাইছে, সিমানেই বিভিন্ন তৰহৰ উপভোগ্য সামগ্ৰীৰ উৎপাদন বাঢ়িছে আৰু মুঠ সামগ্ৰীৰ উৎপাদনো বৃদ্ধি হৈছে।

ইয়াতেই অৰ্থনীতিত এক স্ব-বিৰোধ সৃষ্টি হৈছে। যদি অৰ্থনীতিখনৰ মুঠ উৎপাদিত চূড়ান্ত সামগ্ৰীৰ এক গৰিষ্ঠ অংশ মূলধনী সামগ্ৰীৰ উৎপাদন বুলি ধৰা হয়, তেনেহ'লে কম অংশ এটাহে উপভোগ সামগ্ৰী হিচাপে থাকিব। আমি আমাৰ আলোচনাত সময়সীমাৰ প্ৰাসংগিকতা চাব লাগিব। এক প্ৰদত্ত মূলধনী মজুতৰ সাপেক্ষে এটা বছৰৰ উৎপাদন আৰম্ভ হয় বুলি ধৰিলে বছৰৰ অন্তত মুঠ উৎপন্নৰ ভিতৰতে যদি মূলধনী সামগ্ৰীৰ পৰিমাণ অধিক হয়, তেনেহ'লে স্বাভাৱিকতেই উপভোগ সামগ্ৰীৰ উৎপাদন হ্ৰাস পাব। কিন্তু বৰ্তমান সময়ত মূলধনী সামগ্ৰীৰ উৎপাদন বৃদ্ধি পালেহে ভৱিষ্যতে অৰ্থনীতিৰ উৎপাদনী ব্যৱস্থাটো অধিক উৎপাদনক্ষম হ'ব। এইটো এইবাবেই সম্ভৱ যে মূলধনী সামগ্ৰীসমূহ ব্যৱহাৰৰ লগে লগেই নিঃশেষ হৈ নাযায়। এইবোৰ মূলধনী মজুতৰ (Stock of Capital) সংখ্যাগত বৃদ্ধিত সহায় কৰে। আনহাতে এই নতুনকৈ বৃদ্ধি পোৱা মূলধনী সামগ্ৰীবোৰ সাধাৰণতে পূৰ্বৰ মূলধনী সামগ্ৰীৰ তুলনাত অধিক গুণমানবিশিষ্ট হয়। (উদাহৰণস্বৰূপে আধুনিক যন্ত্ৰচালিত বয়ন যন্ত্ৰ এটা পুৰণি তাঁতশাল এখনৰ তুলনাত অধিক উৎপাদনক্ষম হয়।)

এতিয়া যদি আমি উৎপাদনৰ মূল প্ৰবাহ লক্ষ্য কৰিব খোজো, তেতিয়া আমি এক নিৰ্ধাৰিত সময় নতুবা কোনো এবছৰত উৎপাদিত সামগ্ৰীৰ ওপৰত গুৰুত্ব দিব লাগিব। এটা বছৰত অৰ্থনীতি এখনত মুঠ উৎপাদিত চূড়ান্ত দ্ৰব্যসমূহ দুটা ভাগত ভাগ কৰিব পাৰি। উপভোগ দ্ৰব্য আৰু সেৱাসমূহ আৰু আনটো ভাগ হ'ল মূলধনী সামগ্ৰীসমূহ। উপভোগ দ্ৰব্য আৰু সেৱাসমূহৰ ওপৰত দেশৰ জনসাধাৰণ নিৰ্ভৰশীল। আকৌ দেশৰ মুঠ জনসংখ্যাই অৰ্থনীতিৰ কৰ্মশক্তিৰ আধাৰ। মুঠ জনসমষ্টিৰ এটা অংশই শ্ৰম আৰু দক্ষতা প্ৰদানৰ

যোগেদি উদ্যোগৰ প্ৰসাৰ সাধন কৰি অৰ্থনীতিৰ উৎপাদনৰ বৰঙণি যোগায়। মানুহৰ শ্ৰম আৰু মূলধনৰ উৎপাদন প্ৰক্ৰিয়াৰ আধাৰ গঢ়ি তোলা হয়। দেশৰ মুঠ চূড়ান্ত দ্ৰব্যৰ এটা অংশ চলিত বছৰৰ মূলধনী দ্ৰব্য উৎপাদনৰ ভিতৰত পৰে আৰু এই অংশটোৱে চলিত মূলধনী মজুতৰ সংযোজন ঘটায় বা সাল-সলনি কৰে আৰু এনেদৰে সৃষ্টি হোৱা মূলধনী মজুতৰ সৈতে মানুহৰ শ্ৰমৰ সংযোজন ঘটাই পিচৰ বছৰৰ উৎপাদন প্ৰক্ৰিয়াটোৰ আধাৰ গঢ়ি তোলা হয়। এইদৰে অৰ্থনীতিখনে এক চক্ৰীয় প্ৰবাহৰ যোগেদি উৎপাদন আৰু উপভোগ প্ৰক্ৰিয়াটো নিৰৱচ্ছিন্নভাৱে চলি থকাটো সম্ভৱ কৰি তোলে।

আমি এইটোও লক্ষ্য কৰিব পাৰো যে চলিত বছৰৰ মূলধনী দ্ৰব্য উৎপাদনৰ সমুদায় পৰিমাণ যদি পুৰণি মূলধনী মজুতৰ ক্ষয়-ক্ষতিৰ বাবদ ব্যৱহাৰ কৰা হয়, (যিটো বহু ক্ষেত্ৰত সম্ভৱ নহয়) তেতিয়া নতুন মূলধনৰ সংযোজন নহয়। যদি চলিত বছৰৰ শেষত মূলধনী মজুতৰ নিগুট সংযোজন হয়, তেনেহ'লে পিচৰ বছৰৰ উৎপাদন চক্ৰ এক বৃহৎ মূলধন মজুতৰ সৈতে আৰম্ভ কৰিব পৰা যায় আৰু ইয়াৰ যোগেদিয়েই বৃহৎ পৰিমাণৰ উৎপাদন কৰাৰ বাবে এক আধাৰ গঠন কৰিব পাৰি। গতিকে দেখা গ'ল যে অৰ্থনৈতিক চক্ৰটো কেৱল চক্ৰীয় প্ৰবাহতে আবদ্ধ নাথাকে; অৰ্থনৈতিক প্ৰসাৰৰ বাবে এই চক্ৰটোৱে সদায়ে এটা অৰ্থনীতিৰ ওপৰত হেঁচা দি থাকে। যিহেতু আমি কেৱল বজাৰত বিক্ৰীৰ বাবে উৎপাদিত সকলো দ্ৰব্য আৰু সেৱা সম্পৰ্কেই আলোচনা কৰি আছো; সেইবাবে এইক্ষেত্ৰত আন এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা হ'ল যে এই বিক্ৰী সম্ভৱ কৰিবলৈ ক্ৰয় ক্ষমতাৰ পুষ্ট চাহিদাৰ প্ৰয়োজন আছে। এজন ব্যক্তিৰ সামগ্ৰী ক্ৰয় কৰাৰ প্ৰয়োজনীয় ক্ষমতা থাকিব লাগিব। ইয়াৰ অন্যথা বজাৰত তেওঁৰ সামগ্ৰীৰ প্ৰয়োজনীয়তাক স্বীকৃতি দিয়া নহয়।


ব্যক্তি এজনৰ দ্ৰব্য ক্ৰয়ৰ ক্ষমতা আহে শ্ৰমিক হিচাপে তেওঁ অৰ্জন কৰা আয়, মজুৰি, উদ্যোগী হিচাপে অৰ্জন কৰা লাভ, ভূমিৰ গৰাকী হিচাপে পোৱা খাজনা আৰু মূলধনৰ গৰাকী হিচাপে অৰ্জন কৰা সুদৰ ওপৰত, চমুকৈ উৎপাদনৰ উপাদানসমূহৰ গৰাকী হিচাপে ব্যক্তিয়ে তেওঁলোকে অৰ্জন কৰা আয়েৰে দ্ৰব্য আৰু সেৱাৰ প্ৰতি চাহিদা সৃষ্টি কৰে

আৰু এই চাহিদা পূৰণ কৰিবলৈ বিচাৰে। সেইবাবে এইক্ষেত্ৰত আমি বজাৰৰ মাধ্যমত চক্ৰীয় প্ৰবাহ সংগঠিত হোৱা দেখা পাওঁ। গতিকে চক্ৰীয় প্ৰবাহৰ লগত উৎপাদনৰ উপাদানসমূহৰ পৰা সৃষ্ট চাহিদা লক্ষ্য কৰিবলগীয়া। কিয়নো বজাৰত চাহিদা অবিহনে চক্ৰীয় প্ৰবাহ সম্ভৱ নহয়।

সেইবাবে উপভোগ আৰু উৎপাদনৰ দৰে সামাজিক কাৰ্যাৱলী এৰাব নোৱৰাকৈ সম্পৰ্কিত আৰু ইয়াত একপ্ৰকাৰৰ চক্ৰীয় কাৰক নিহিত থাকে। অৰ্থনীতি এখনৰ উৎপাদন প্ৰক্ৰিয়াটোৱে ইয়াত নিয়োজিত হৈ থকা উপাদানসমূহৰ দেনা সৃষ্টি কৰে আৰু উৎপাদন প্ৰক্ৰিয়াটোৰ ফলশ্ৰুতিত দ্ৰব্য আৰু সেৱাসমূহৰ সৃষ্টি হয়। এনেদৰে সৃষ্টি হোৱা আয়ৰ সহায়ত চূড়ান্ত দ্ৰব্যসমূহ ক্ৰয় কৰিবলৈ ক্ৰয় ক্ষমতাৰ উদ্ভৱ হয় আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ বিক্ৰী সম্ভৱ কৰি তোলে। ইয়েই হ'ল ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ মূল লক্ষ্য। উৎপাদন প্ৰক্ৰিয়াটোৰ জৰিয়তে মূলধনী সামগ্ৰীসমূহৰো সৃষ্টি হয় আৰু ইয়াৰ সহায়তো একেধৰণে উৎপাদনকাৰীবোৰে মজুৰি, লাভ ইত্যাদিৰ মাধ্যমত আয় আহৰণ কৰিবলৈ সক্ষম হয়। সংযোজিত মূলধনী সামগ্ৰীবোৰৰ যোগেদি অৰ্থনীতিখনত মূলধন মজুতৰ পৰিমাণ বৃদ্ধি পায় আৰু ইয়াৰ দ্বাৰা আন আন সামগ্ৰীবোৰ উৎপাদন কৰাটো সম্ভৱপৰ হৈ উঠে।

## 2.2 আয়ৰ চক্ৰীয় প্ৰবাহ আৰু জাতীয় আয় গণনাৰ পদ্ধতিসমূহ (Circular Flow of Income and Methods of Calculating National Income)

আগৰ অনুচ্ছেদত আমি চৰকাৰী হস্তক্ষেপ, বহিঃবাণিজ্য কিম্বা কোনো সঞ্চয়ৰ ব্যৱস্থাহীন এখন অতি সৰল অৰ্থনীতি (Simple economy)য়ে কেনেদৰে কাৰ্য কৰে সেই বিষয়ে এক সম্যক আলোচনা দাঙি ধৰিছিলো। পৰিয়ালসমূহে উৎপাদন প্ৰক্ৰিয়াত তেওঁলোকে পালন কৰা দায়িত্বৰ বাবে প্ৰতিষ্ঠানৰ পৰা আয় অৰ্জন কৰে। ইতিমধ্যে আমি উল্লেখ কৰিছো যে উৎপাদন কাৰ্যত চাৰি প্ৰকাৰৰ আয়ৰ সৃষ্টি হয়। সেইবোৰ হ'ল— (a) শ্ৰমিকে দিয়া শ্ৰমৰ অৰদান আৰু ইয়াৰ বিনিময়ত তেওঁলোকে মজুৰি (Wages) লাভ কৰে, (b) মূলধনে যোগোৱা বৰঙণিৰ বৰঙণিৰ বাবদ সুদ (Interest) লাভ কৰে, (c) উদ্যোগীৰ অৰদানৰ



চিত্ৰ 2.1 এক সৰল অৰ্থনীতিত আয়ৰ চক্ৰীয় প্ৰবাহ

বাবদ লাভ (Profit) অৰ্জন কৰে আৰু স্থিৰ প্ৰাকৃতিক সম্পদ (Fixed natural resources) অৰ্থাৎ ভূমিয়ে যোগোৱা অৰদানৰ বাবদ খাজনা (rent) লাভ কৰে। এয়া হ'ল একপ্ৰকাৰৰ অতি সৰল অৰ্থনীতিৰ উদাহৰণ, য'ত পৰিয়ালসমূহে তেওঁলোকৰ সমুদায় উপাৰ্জন, ঘৰুৱা প্ৰতিষ্ঠানসমূহে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাসমূহ ক্ৰয় কৰাৰ বাবদ ব্যয় কৰে। তেওঁলোকৰ উপাৰ্জন অন্যান্য পথেৰে খৰচ কৰাৰ কোনো অৱকাশ নাই। ইয়াত ধৰি লোৱা হৈছে যে পৰিয়ালসমূহৰ কোনোধৰণৰ সঞ্চয় নাই। তেওঁলোকে চৰকাৰক কোনোধৰণৰ কৰ, জৰিমনা আদি পৰিশোধ কৰিব নালাগে, সৰল অৰ্থনীতি হোৱা বাবে বৈদেশিক বাণিজ্য নথকাৰ হেতু তেওঁলোকে আমদানিকৃত দ্ৰব্য ক্ৰয় কৰাৰো কোনো সুযোগ নাথাকে। আন কথাত উৎপাদনৰ উপাদানসমূহে তেওঁলোকৰ আৰ্জিত আয় তেওঁলোকৰ সহায়ত উৎপাদিত দ্ৰব্য আৰু সেৱাসমূহৰ বাবেহে ব্যয় কৰে। অৰ্থনীতিখনৰ পৰিয়াল গোটসমূহে কৰা মুঠ উপভোগৰ ব্যয়ৰ পৰিমাণ প্ৰতিষ্ঠানসমূহে দ্ৰব্য আৰু সেৱাসমূহ উৎপাদন কৰোতে হোৱা মুঠ ব্যয়ৰ সৈতে সমান হয়। সেয়েহে অৰ্থনীতিখনৰ সমুদায় আয়, বিক্ৰী আয়ৰ মাধ্যমত পুনৰ উৎপাদনকাৰীসকলৰ হাতলৈ ঘূৰি আহে। এই ব্যৱস্থাটোত কোনোধৰণৰ সুৰুঙা নাথাকে। উৎপাদন প্ৰতিষ্ঠানসমূহে উৎপাদনৰ উপাদানসমূহৰ মাজত বিতৰণ কৰা উপাদানৰ দেনা আৰু বিক্ৰীৰ আয়ৰ মাধ্যমত এইসমূহে লাভ কৰা মুঠ উপভোগ ব্যয়ৰ মাজত কোনোধৰণৰ পাৰ্থক্য নাথাকে। পিচৰ সময়ত প্ৰতিষ্ঠানসমূহে পুনৰ এবাৰ দ্ৰব্য আৰু সেৱা উৎপাদন কৰে আৰু উৎপাদনৰ উপাদানসমূহৰ মজুৰি প্ৰদান কৰে। এই মজুৰিত পুনৰ দ্ৰব্য আৰু সেৱাসমূহ ক্ৰয় কৰোতে ব্যৱহৃত হয়। বছৰৰ পিচত বছৰ ধৰি সেইবাবে অৰ্থনীতি এখনৰ মুঠ আয়

উৎপাদান প্ৰতিষ্ঠানসমূহ আৰু পৰিয়াল গোটসমূহ এই দুটা খণ্ডৰ মাজেৰে চক্ৰীয়ভাৱে প্ৰবাহিত হৈ থাকে।

## 2.1 এখন সৰল অৰ্থনীতিত আয়ৰ চক্ৰীয় প্ৰবাহ (Circular Flow of Income in a Simple Economy)

চিত্ৰ 2.1ত একেবাৰে ওপৰত অৱস্থান কৰা কাঁড়চিহ্নযুক্ত ৰেখাডালে; (যিডাল ৰেখা পৰিয়াল গোটৰ পৰা প্ৰতিষ্ঠানলৈ নিৰ্দেশ কৰা হৈছে) প্ৰতিষ্ঠানসমূহে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাসমূহ ক্ৰয় কৰাত পৰিয়াল গোটসমূহে কৰা ব্যয় দেখুৱাইছে। দ্বিতীয় কাঁড়চিহ্নযুক্ত ৰেখাডালে (যিডাল ৰেখাই প্ৰতিষ্ঠানৰ পৰা পৰিয়াল গোটলৈ নিৰ্দেশ কৰিছে) ওপৰৰ ৰেখাডালৰ বিপৰীত অৱস্থা সূচাইছে। এই ৰেখাডালে প্ৰতিষ্ঠানৰ পৰা পৰিয়াল গোটলৈ প্ৰবাহিত হোৱা দ্ৰব্য আৰু সেৱাসমূহক নিৰ্দেশ কৰিছে। আন কথাত এই প্ৰবাহ হ'ল পৰিয়াল গোটে প্ৰতিষ্ঠানৰ পৰা যিখিনি দ্ৰব্য আৰু সেৱা পাইছে আৰু ইয়াৰ বাবদ তেওঁলোকে যিমান ব্যয় বহন কৰিছে, তাৰ দ্বাৰা গঢ় লোৱা এক প্ৰবাহ, চমুকৈ চিত্ৰৰ ওপৰৰ অংশৰ ওপৰৰ ৰেখাডালে দ্ৰব্য আৰু সেৱাৰ বাবে দিবলগা দেনাৰ প্ৰবাহ দেখুৱাইছে আৰু চিত্ৰৰ ওপৰ অংশৰ তলৰ ৰেখাডালৰ দ্বাৰা উদ্যোগ প্ৰতিষ্ঠানৰ পৰা পৰিয়াল গোটলৈ দ্ৰব্য আৰু সেৱাৰ প্ৰবাহ দেখুওৱা হৈছে। আনহাতে তলৰ ৰেখা দুডালে একেদৰেই উৎপাদনৰ উপাদানৰ বজাৰ দেখুৱাইছে। সৰ্বনিম্ন ৰেখাডালে (যিডালে পৰিয়াল গোটৰ পৰা প্ৰতিষ্ঠানলৈ নিৰ্দেশ কৰিছে) পৰিয়াল গোটসমূহে প্ৰতিষ্ঠানলৈ আগবঢ়োৱা সেৱাৰ প্ৰবাহ দেখুৱাইছে। এই সেৱা ব্যৱহাৰ কৰিয়েই প্ৰতিষ্ঠানসমূহে দ্ৰব্য উৎপাদন কৰিছে। ইয়াৰ ওপৰৰ ৰেখাডালে (যিডালে প্ৰতিষ্ঠানৰ পৰা পৰিয়াল গোটলৈ নিৰ্দেশ কৰিছে) প্ৰতিষ্ঠানসমূহে তেওঁলোকলৈ আগবঢ়োৱা সেৱাৰ বাবদ পৰিয়াল গোটসমূহক প্ৰদান কৰা দেনা নিৰ্দেশ কৰিছে। যিহেতু একে পৰিমাণৰ মুদ্ৰাই অৰ্থাৎ দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্য এক চক্ৰীয় প্ৰবাহৰ যোগেদি গতিশীল হৈ আছে, সেই বাবে আমি যদি এটা বছৰৰ উৎপাদিত দ্ৰব্য আৰু সেৱাৰ মুঠ মূল্য গণনা কৰিবলৈ বিচাৰো, তেনেহ'লে চিত্ৰত নিৰ্দেশ কৰা যিকোনো বিন্দু ৰেখাত (dotted line)

বাৰ্ষিক প্ৰবাহৰ মূল্য পৰিমাপ কৰিব পাৰো। আমি একেবাৰে ওপৰৰ প্ৰবাহ (A বিন্দুত) গণনা কৰিব পাৰো। ইয়াৰ বাবে প্ৰতিষ্ঠানসমূহে উৎপাদিত চূড়ান্ত দ্ৰব্য আৰু সেৱাসমূহত পৰিয়াল গোটসমূহে কৰা ব্যয়ৰ পৰিমাপ কৰিব লাগিব। এই পদ্ধতিটোকে ব্যয় পদ্ধতি (Expenditure Method) বোলা হয়। যদি আমি প্ৰতিষ্ঠানসমূহে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্য পৰিমাপৰ যোগেদি B বিন্দুত প্ৰবাহৰ জোখ লওঁ, তেনেহ'লে ইয়াক উৎপাদন পদ্ধতি (Product Method) বোলা হয়। আনহাতে C বিন্দুত সকলোবোৰ উপাদানৰ দেনাৰ সৰ্বমুঠ পৰিমাণ পৰিমাপ কৰিলে ইয়াক আয় পদ্ধতি (Income Method) বোলা হয়। লক্ষণীয় কথা হ'ল— অৰ্থনীতি এখনৰ মুঠ ব্যয়ৰ সৈতে উৎপাদনৰ উপাদানসমূহৰ মুঠ আয় সমান হ'ব লাগিব (A আৰু C বিন্দুত প্ৰবাহ সমান)। এতিয়া ধৰা হ'ল এটা নিৰ্দিষ্ট সময়ত পৰিয়াল গোটসমূহে প্ৰতিষ্ঠানৰ উৎপাদিত দ্ৰব্য অৰু সেৱাসমূহত অতিৰিক্তভাৱে ব্যয় কৰিবলৈ বিচাৰিছে। ক্ষন্তেক সময়ৰ বাবে এই কথা চিন্তা কৰিবলৈ বাদ দিয়া হওক যে তেওঁলোকে এই অতিৰিক্ত ব্যয় কৰিবলৈ প্ৰয়োজনীয় বিত্ত ক'ৰ পৰা লাভ কৰিছে। কিয়নো ইতিমধ্যে তেওঁলোকে সমুদায় আয় দ্ৰব্য আৰু সেৱা ক্ৰয়ত ব্যয় কৰিছে। (তেওঁলোকে এই অতিৰিক্ত ব্যয় পূৰণ কৰিবলৈ ঋণ ল'ব পাৰে।) যদি তেওঁলোকে দ্ৰব্য আৰু সেৱাত অতিৰিক্তভাৱে ব্যয় কৰে, তেনেহ'লে উৎপাদন প্ৰতিষ্ঠানসমূহে এই অতিৰিক্ত চাহিদা পূৰণ কৰিবলৈ অধিক উৎপাদন কৰিব লাগিব। এই অতিৰিক্ত উৎপাদনৰ বাবে তেওঁলোকে উৎপাদনৰ উপাদানসমূহক অতিৰিক্ত মজুৰি দিব লাগিব। এতিয়া কথা হ'ল যে প্ৰতিষ্ঠানসমূহে কিমান পৰিমাণৰ অতিৰিক্ত মজুৰি প্ৰদান কৰিব? অতিৰিক্তভাৱে উৎপাদিত দ্ৰব্য আৰু সেৱাৰ মূল্যৰ সৈতে এই অতিৰিক্ত দেনাৰ পৰিমাণো সমান হ'ব লাগিব। এনে কৰিলে পৰিয়াল গোটসমূহে তেওঁলোকে কৰা অতিৰিক্ত ব্যয় পূৰণ কৰি অতিৰিক্ত দ্ৰব্য সামগ্ৰী ক্ৰয় কৰিব পাৰিব। আন কথাত পৰিয়াল গোটসমূহে অতিৰিক্ত ব্যয়ৰ সিদ্ধান্ত ল'ব পাৰে আৰু তেওঁলোকে ভবাতকৈ অধিক পৰিমাণৰ ব্যয় কৰিব পাৰে। কিয়নো শেষত তেওঁলোকৰ আয়ৰ পৰিমাণ অতিৰিক্ত ব্যয় জোৰা মাৰিব পৰাকৈ বৃদ্ধি পাব। এই কথাটো অলপ পৃথকে এনেদৰে লক্ষ্য কৰিব পাৰি। অৰ্থনীতি এখনে ইয়াৰ বৰ্তমানৰ আয়তকৈ অধিক পৰিমাণৰ

ব্যয় কৰিব পাৰে। কিন্তু ইয়াকে কৰিবলৈ যাওঁতে ইয়াৰ আয়ৰ পৰ্যায়টো নিশ্চিতভাৱে অতিৰিক্ত ব্যয়ৰ জোৰা মাৰিব পৰাকৈ বৃদ্ধি পাব লাগিব। এইটো প্ৰথমতে এক সাঁথৰৰ দৰে লাগে। কিন্তু যিহেতু আয়ৰ চক্ৰীয় প্ৰবাহ চলি থাকে, গতিকে প্ৰবাহৰ এটা বিন্দুত ই বৃদ্ধি পালে আন সকলো বিন্দুত বৃদ্ধি নঘটে বা বৃদ্ধি ঘটাত অসুবিধা আহিব বুলি ক'ব নোৱাৰি। এটা নিৰ্দিষ্ট গোটৰ (ধৰা হ'ল পৰিয়াল গোট) ক্ষেত্ৰত সমগ্ৰ অৰ্থনীতিখনৰে প্ৰসংগটো পৃথক হয়। ই তাৰে এক উদাহৰণ। পৰিয়াল গোট এটাৰ ক্ষেত্ৰত ব্যক্তিগত আয়ৰ দ্বাৰা প্ৰভাৱিত হৈ ব্যয় সীমিত হৈ পৰে। সাধাৰণতে এইটো নহয় যে এজন শ্ৰমিকে অধিক ব্যয় কৰিব বিচাৰিলে ইয়াৰ সমান পৰিমাণত তেওঁৰ আয়ো বৃদ্ধি পাব। আমি পৰৱৰ্তী অধ্যায়ত এই সন্দৰ্ভত অধিক ব্যাখ্যা কৰিম আৰু দেখুৱাম যে উচ্চ স্তৰৰ মুঠ ব্যয়ে কেনেকৈ সৰ্বমুঠ আয়ৰ বৃদ্ধি ঘটায়।

ওপৰত উল্লেখ কৰা উদাহৰণটো এখন অতি সৰল অৰ্থনীতিৰ পৰা দাঙি ধৰা হৈছে। এখন কাল্পনিক অৰ্থনীতিৰ কথা বৰ্ণনা কৰা এইধৰণৰ বক্তব্যই হ'ল সমষ্টিগত অৰ্থনৈতিক আৰ্হি (Macro-economic model)। এটা আৰ্হিয়ে কেতিয়াও প্ৰকৃত অৰ্থনৈতিক অৱস্থা এটাৰ বিস্তৃতভাৱে ব্যাখ্যা কৰিব নোৱাৰে। উদাহৰণস্বৰূপে আমাৰ আৰ্হিত ধৰি লোৱা হৈছে যে পৰিয়াল গোটসমূহে সঞ্চয় নকৰে বা কোনোধৰণৰ চৰকাৰ, বৈদেশিক বাণিজ্য ইত্যাদিবোৰৰ অস্তিত্ব মানি লোৱা হোৱা নাই। অৱশ্যে অৰ্থনৈতিক আৰ্হি এটাই প্ৰতিটো ছেকেণ্ডৰ অৰ্থনীতি এখনৰ ঘটনা প্ৰবাহ ব্যাখ্যা কৰিব নোৱাৰে। ইয়াৰ মূল উদ্দেশ্য হ'ল অৰ্থনৈতিক ব্যৱস্থা এটাৰ মূল কাৰ্যাৱলীসমূহ দাঙি ধৰা। কিন্তু এনে কৰিবলৈ যাওঁতে বিষয়বোৰ এনেধৰণে সৰলীকৰণ কৰিব নালাগে যাতে অৰ্থনীতিখনৰ প্ৰকৃতিৰ ভুল ব্যাখ্যা হয়। ইয়াৰ বাবে প্ৰত্যেকে সচেতন হোৱা প্ৰয়োজন। অৰ্থনীতি বিষয়টো বহু আৰ্হিৰে পৰিপূৰ্ণ। ইয়াৰে বহুসংখ্যক আৰ্হি এই পাঠ্যপুথিত আলোচনা কৰা হৈছে। এজন অৰ্থনীতিবিদৰ মূল কাম হ'ল কোনটো আৰ্হি প্ৰকৃততে বাস্তৱ জীৱনত প্ৰয়োগ হয় তাক নিৰ্দেশ কৰি দিয়াটো।

যদি আমি ওপৰত উল্লেখ কৰা সৰল অৰ্থনৈতিক আৰ্হিটোত সঞ্চয় সংযোগ কৰি ইয়াৰ পৰিৱৰ্তন সাধন কৰো, তেনেহ'লে ই আমাৰ প্ৰধান সিদ্ধান্ত সলনি কৰিব পাৰিবনে? অৰ্থাৎ এইটো দেখুৱাব পাৰিবনে যে আমি A, B বা C যিকোনো বিন্দুতে গণনা নকৰো কিয়; অৰ্থনীতিখনৰ মুঠ আয় একেই থাকিব? হয়, এই সিদ্ধান্ত এটা সাধাৰণ পথেৰে সলনি কৰিব পৰা নাযায়। অৰ্থনৈতিক ব্যৱস্থাটো যিমানেই জটিল নহওক লাগিলে এই তিনিওটা পদ্ধতিতে বাৰ্ষিক উৎপাদিত দ্ৰব্য আৰু সেৱাসমূহৰ পৰিমাপ সদায় একে হয়।

## 2.2.1 উৎপাদন বা মূল্য সংযোজন পদ্ধতি (The Product of Value added Method)

উৎপাদন পদ্ধতিত অমি এটা বছৰত উৎপাদিত সকলো দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ বাৰ্ষিক মূল্য গণনা কৰো। এইটোনো কেনেদৰে কৰা হয়? আমি অৰ্থনীতিখনৰ সকলোবোৰ প্ৰতিষ্ঠানে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাসমূহৰ মূল্য যোগ কৰোনে? নিম্নোক্ত উদাহৰণটোৰ পৰা এই কথা সহজে বুজিব পাৰি।

ধৰা হ'ল অৰ্থনীতিখনত মাত্ৰ দুই প্ৰকাৰৰ উৎপাদনকাৰী অছে। তেওঁলোক হ'ল ঘেঁহু উৎপাদনকাৰী (খেতিয়ক) আৰু পাউৰুটী তৈয়াৰ কৰোতা। ঘেঁহু খেতিয়কসকলক ঘেঁহু উৎপাদন কৰোতে শ্ৰমিকৰ বাহিৰে আন কোনো আহিলাৰ প্ৰয়োজন নহয়। তেওঁলোকে ইয়াৰ এটা অংশ ৰুটি তৈয়াৰ কৰোতাসকলক বিক্ৰী কৰে। আনহাতে ৰুটি তৈয়াৰ কৰোতাসকলকো আটাৰ বাহিৰে আন কোনোধৰণৰ কেঁচামালৰ প্ৰয়োজন নহয়। ধৰা হ'ল এটা বছৰত ঘেঁহু খেতিয়কে উৎপাদন কৰা ঘেঁহুৰ মূল্য 100 টকা। ইয়াৰ ভিতৰৰে 50 টকা মূল্যৰ ঘেঁহু তেওঁলোক ৰুটি তৈয়াৰ কৰোতাক বিক্ৰী কৰিছে। এতিয়া 50 টকা মূল্যৰ আটা ব্যৱহাৰ কৰি ৰুটি তৈয়াৰ কৰোতাই এটা বছৰত 200 টকা মূল্যৰ ৰুটি তৈয়াৰ কৰিছে। তেনেহ'লে ঘেঁহুৰ মুঠ উৎপাদন মূল্য কিমান হ'ব? যদি আমি উৎপাদনৰ সকলো খণ্ডৰ মূল্যৰ সৰ্বমুঠ হিচাপ কৰো, তেনেহ'লে আমি 200 টকা (ৰুটি তৈয়াৰ কৰোতাৰ উৎপাদনৰ মূল্য) আৰু 100 টকা (খেতিয়কৰ উৎপাদন মূল্য)

যোগ কৰিব লাগিব। অৰ্থাৎ এই মূল্য হ'ব 300 টকা।

কিন্তু অলপ ভালদৰে লক্ষ্য কৰিলে গম পোৱা যাব যে সৰ্বমুঠ উৎপাদনৰ মূল্য 300 টকা নহয়। খেতিয়কে 100 টকা মূল্যৰ ঘেঁহু উৎপাদন কৰোতে কোনোধৰণৰ অন্য আহিলাৰ সহায় ল'বলগা হোৱা নাই। সেইবাবে এই সম্পূৰ্ণ 100 টকাই হ'ল তেওঁৰ অৱদান। কিন্তু এই একেটা কথা ৰুটি তৈয়াৰ কৰোতাৰ ক্ষেত্ৰত সঁচা নহয়। বেকাৰীয়ে ৰুটি তৈয়াৰ কৰিবলৈ 50 টকা মূল্যৰ আটা ক্ৰয় কৰিবলগা হৈছে। বেকাৰীত তৈয়াৰ কৰা 200 টকা মূল্যৰ ৰুটি কেৱল তেওঁলোকৰ সম্পূৰ্ণ নিজা অৱদান নহয়। ৰুটি তৈয়াৰ কৰোতাসকলৰ নিগুট অৱদান জানিবলৈ হ'লে আমি তেওঁলোকে খেতিয়কৰ পৰা ক্ৰয় কৰা ঘেঁহুৰ মূল্য বাদ দিব লাগিব। ইয়াকে নকৰিলে আমি দুবাৰ গণনাৰ ভুল কৰা হ'ব। কিয়নো 50 টকা ঘেঁহুৰ মূল্য দুবাৰ গণনালৈ আহিব। প্ৰথমে ইয়াক খেতিয়কে কৰা উৎপাদনৰ এটা অংশ হিচাপে গণনা কৰা হ'ব আৰু দ্বিতীয়বাৰ ৰুটি তৈয়াৰ কৰোতাসকলে উৎপাদন কৰা ৰুটিৰ অন্তৰ্নিহিত মূল্য হিচাপে গণনালৈ আহিব।

সেয়েহে ৰুটি তৈয়াৰ কৰোতাসকলৰ নিগুট অৱদান হ'ল 200 টকা – 50 টকা = 150 টকা। এতিয়া এই সৰল অৰ্থনীতিখনে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাৰ মুঠ মূল্য হ'ব 100 টকা (খেতিয়কৰ নিগুট অৱদান) + 150 টকা।

প্ৰতিষ্ঠান এখনৰ নিগুট অৱদান বুজাবলৈ সাধাৰণতে 'মূল্য সংযোজন' শব্দটো ব্যৱহাৰ কৰা হয়। আমি দেখিছো যে এখন প্ৰতিষ্ঠানে আন এখন প্ৰতিষ্ঠানৰ পৰা কেঁচা সামগ্ৰী ক্ৰয় কৰি আনি সম্পূৰ্ণৰূপে উৎপাদন কাৰ্যত ব্যৱহাৰ কৰে আৰু ইয়াকে 'মধ্যৱৰ্তী দ্ৰব্য' (Intermediate goods) বুলি কোৱা হয়। সেই বাবে এখন উদ্যোগ প্ৰতিষ্ঠানৰ মূল্য সংযোজন হ'ল ঃ (প্ৰতিষ্ঠানখনৰ উৎপাদনৰ মূল্য – প্ৰতিষ্ঠানখনে ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্যৰ মূল্য)। প্ৰতিষ্ঠান এখনৰ মূল্য সংযোজন উৎপাদনৰ চাৰিওটা উপাদান— ভূমি, শ্ৰম, মূলধন আৰু উদ্যোগীৰ মাজত ভগাই দিয়া হয়। সেই বাবে প্ৰতিষ্ঠানে আদায় দিয়া মজুৰি, সুদ, লাভ আৰু খাজনা ইয়াৰ মূল্য সংযোজনৰ লগত নিতান্তই যোগ কৰিব

লাগিব। মূল্য সংযোজন হ'ল এটা প্ৰবহমান চলক।

আমি ওপৰত বৰ্ণনা কৰা উদাহৰণটো নিম্নোক্ত তালিকাখনৰ (2.1) দ্বাৰা দেখুৱাব পাৰো।

**তালিকা 2.1 উৎপাদন, মধ্যৱৰ্তী দ্ৰব্য আৰু মূল্য সংযোজন ঃ**

| | খেতিয়ক | পাউৰুটী তৈয়াৰ কৰোতা |
|---|---|---|
| মুঠ উৎপাদন | 100 | 200 |
| মধ্যৱৰ্তী দ্ৰব্য ব্যৱহাৰ | 0 | 50 |
| মূল্য সংযোজন (Value added) | 100 | 200 – 50 = 150 |

উক্ত তালিকাখনৰ চলকবোৰ মুদ্ৰাৰ মাধ্যমত প্ৰকাশ কৰা হৈছে। আমি ইয়াত তালিকাবদ্ধ কৰা আৰু বিভিন্ন চলকসমূহৰ মূল্যায়ন কৰিবলৈ ব্যৱহাৰ কৰা দ্ৰব্যসমূহৰ বজাৰদৰ সন্দৰ্ভত গুৰুত্ব দিয়াটো প্ৰয়োজন। তদুপৰি আমাৰ উদাহৰণটোত দেখুওৱা উৎপাদন প্ৰক্ৰিয়াটোত অধিক পৰিমাণৰ জটিল আৰু বাস্তৱসন্মত আহিলা সংযোগ ঘটাব লাগিব। উদাহৰণস্বৰূপে খেতিয়কসকলে ঘেঁহু উৎপাদনৰ বাবে ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব পাৰে। এই আহিলাসমূহৰ মূল্য উৎপাদিত ঘেঁহুৰ মূল্যৰ পৰা বাদ দিব লাগিব। অথবা ৰুটি তৈয়াৰ কৰোতাই যদি ৰুটিসমূহ ৰেষ্টুৰেণ্টত বিক্ৰী কৰে তেনেহ'লে এই মূল্য সংযোজন গণনা কৰিবলৈ মধ্যৱৰ্তী দ্ৰব্যৰ (এইক্ষেত্ৰত ৰুটি) মূল্য বাদ দিব লাগিব।

ইতিমধ্যে আমি 'ক্ষয়-ক্ষতি'ৰ ধাৰণাটো ব্যাখ্যা কৰিছো যাক স্থিৰ মূলধন উপভোগ বুলিও কোৱা হয়। যিহেতু উৎপাদন কাৰ্যত ব্যৱহাৰ হৈ থকাৰ ফলত মূলধনৰ ক্ষয়-ক্ষতিৰ বাবে উৎপাদনকাৰীয়ে সাল-সলনি সংক্ৰান্তীয় বিনিয়োগ কৰিবলগা হয় যাতে মূলধনৰ মূল্য স্থিৰে ৰাখিব পৰা যায়। এই সাল-সলনিজনিত বিনিয়োগ মূলধনৰ ক্ষয়-ক্ষতিৰ সৈতে একে। যদি আমি মূল্য সংযোজনৰ লগত ক্ষয়-ক্ষতিৰ মূল্য অন্তৰ্ভুক্ত কৰো, তেনেহ'লে আমি যি পৰিমাণৰ মূল্য সংযোজন পাম তাক মুঠ মূল্য সংযোজন (Gross value added) বুলি কোৱা হ'ব আৰু যদি ক্ষয়-ক্ষতিৰ মূল্য মুঠ সংযোজিত মূল্যৰ পৰা বাদ দিয়া হয় তেনেহ'লে যি মূল্য সংযোজন পোৱা যায় তাক নিগুট মূল্য সংযোজন (Net value added) বোলা হয়। মুঠ মূল্য সংযোজন, নিগুট মূল্য সংযোজন ইত্যাদিৰ লগত মূলধনৰ ক্ষয়-ক্ষতি অন্তৰ্ভুক্ত

নকৰিলে মূলধনক সম্পূৰ্ণ আওকাণ কৰা হ'ব। উদাহৰণস্বৰূপে ধৰা হ'ল এখন প্ৰতিষ্ঠানে বছৰি 100 টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰে। প্ৰতিষ্ঠানখনে বছৰটোত ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্যৰ মূল্য হ'ল 20 টকা আৰু মূলধন উপভোগৰ (Capital consumption) মূল্য হ'ল 10 টকা। এতিয়া প্ৰতিষ্ঠানখনৰ মুঠ মূল্য সংযোজনৰ পৰিমাণ হ'ব ঃ 100 টকা – 20 টকা = 80 টকা। প্ৰতিষ্ঠানখনৰ নিগুট মূল্য সংযোজন হ'ব ঃ (100 টকা – 20 টকা – 10 টকা = 70 টকা) বাৰ্ষিক।

এইটো মন কৰিবলগীয়া যে যেতিয়া মূল্য সংযোজন গণনা কৰা হয়, তেতিয়া আমি প্ৰতিষ্ঠানৰ উৎপাদনৰ মূল্য গ্ৰহণ কৰো। কিন্তু প্ৰতিষ্ঠান এখনে ইয়াৰ উৎপাদিত সকলোবোৰ দ্ৰব্য বিক্ৰী কৰিব নোৱাৰিবও পাৰে। এনেকুৱা অৱস্থাত বছৰৰ শেষত বিক্ৰী নোহোৱাকৈ কিছু অংশ মজুত থাকি যায় আৰু স্বাভাৱিকভাৱে প্ৰতিষ্ঠানখনে এই বিক্ৰী নোহোৱা মজুতৰ সৈতে উৎপাদন আৰম্ভ কৰিবলগা হয় আৰু ইয়াৰ বাবেই বছৰটোত প্ৰতিষ্ঠানখনৰ উৎপাদনৰ পৰিমাণ যথেষ্ট কম হয়। কিন্তু ই আৰম্ভ কৰা পুৰণি মজুতৰ বিক্ৰীৰ যোগেদিয়েই বজাৰৰ চাহিদা পূৰণ কৰিবলগা হয়। এতিয়া প্ৰতিষ্ঠান এখনে উদ্দেশ্যপ্ৰণোদিতভাৱে বা অনিচ্ছাকৃতভাৱে বহন কৰিবলগা হোৱা এই মজুতক আমি কেনেভাৱে গণ্য কৰিম? এইটো মন কৰিবলগা যে প্ৰতিষ্ঠানখনে অন্য প্ৰতিষ্ঠানৰ পৰা কেঁচা সামগ্ৰী ক্ৰয় কৰিছে। আৰু এই ব্যৱহৃত কেঁচা সামগ্ৰীসমূহক মধ্যৱৰ্তী দ্ৰব্য হিচাপে বিবেচনা কৰা হৈছে। এইক্ষেত্ৰত অব্যৱহৃত হৈ ৰোৱা দ্ৰব্যসমূহ কি কৰা হ'ব?

অৰ্থনীতিত প্ৰতিষ্ঠান এখনে বিক্ৰী নোযোৱা চূড়ান্ত দ্ৰব্য বা অৰ্ধচূড়ান্ত দ্ৰব্য বা কেঁচা সামগ্ৰীৰ যিটো অংশ এটা বছৰৰ পৰা পিচৰ বছৰটোলৈ কঢ়িয়াই নিবলগা হয়, সেই দ্ৰব্যসমূহকে 'পূৰ্বৱৰ্তী দ্ৰব্য' (Inventory) বোলা হয়। পূৰ্বৱৰ্তী দ্ৰব্যসমূহ হ'ল, মজুত চলক (Stock variable)। বছৰটোৰ আৰম্ভণিতে ইয়াৰ এক মূল্য থাকিব পাৰে; বছৰৰ অন্তত ইয়াৰ এক মূল্য বৃদ্ধি পাব পাৰে। এনে অৱস্থাত পূৰ্বৱৰ্তী দ্ৰব্যবোৰ বৃদ্ধি পায় (বা সঞ্চিত হয়)। আনহাতে বছৰৰ শেষত এইসমূহৰ মূল্য হ্ৰাস পালে পূৰ্বৱৰ্তী দ্ৰব্যবোৰ কমি যোৱা

বুজায়। সেয়েহে আমি ইয়াক এনেদৰে দেখুৱাব পাৰো। বছৰটোৰ ভিতৰত এটা প্ৰতিষ্ঠানৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন ≡ বছৰটোত প্ৰতিষ্ঠানৰ উৎপাদন – বছৰটোত প্ৰতিষ্ঠানৰ বিক্ৰী। ইয়াত '≡' চিনটো পৰিচায়ক (Identity) হিচাপে ব্যৱহাৰ কৰা হৈছে। সমান চিনৰ (=) বিপৰীতে এটা পৰিচায়ক চিহ্নই (≡) সদায় ইয়াৰ সোঁফাল আৰু বাওঁফালৰ চলকসমূহৰ প্ৰতি নিৰপেক্ষ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে আমি $2 + 2 = 4$ লিখিব পাৰো। কাৰণ এইটো সদায় সত্য। কিন্তু আমি $2 \times x = 4$ লিখিব লাগিব, কিয়নো $x$ ৰ দুগুণৰ সমান 4 হ'ব তেতিয়াহে, যদি $x = 2$ হয়। অন্যথা $x$ ৰ অন্য মানৰ বাবে এইটো শুদ্ধ নহয়। সেইবাবে আমি $2 \times x \equiv 4$ লিখিব নোৱাৰো।

মন কৰিবলগীয়া যে যিহেতু প্ৰতিষ্ঠানৰ উৎপাদন ≡ মূল্য সংযোজন + প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্যৰ মূল্যৰ পৰিচায়ক, সেয়েহে বছৰটোত প্ৰতিষ্ঠান এখনৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন = মূল্য সংযোজন + প্ৰতিষ্ঠানখনে ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্য – বছৰটোত প্ৰতিষ্ঠানখনৰ বিক্ৰী।

উদাহৰণস্বৰূপে ধৰা হ'ল, প্ৰতিষ্ঠান এখনৰ বছৰটোৰ আৰম্ভণিতে বিক্ৰী নোহোৱা মজুতৰ পৰিমাণ মূল্য হিচাপত 100 টকা। গোটেই বছৰটোত প্ৰতিষ্ঠানখনে 1,000 টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰিছে আৰু ইয়াৰে 800 টকা মূল্যৰ সামগ্ৰীহে বিক্ৰী কৰিবলৈ সক্ষম হৈছে। গতিকে উৎপাদন আৰু বিক্ৰীৰ মাজৰ পাৰ্থক্য হ'ল 200 টকা। এই পৰিমাণ প্ৰতিষ্ঠানখনে বছৰৰ আৰম্ভণিতে 100 টকা মূল্যৰ যি পূৰ্বৱৰ্তী দ্ৰব্যৰে আৰম্ভ কৰিছিল, তাৰ সৈতে যোগ দিব লাগে। এনে কৰিলে বছৰটোৰ শেষত প্ৰতিষ্ঠানখনৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ মূল্য হ'ব 100 টকা + 200 টকা = 300 টকা। লক্ষ্য কৰিব পাৰি যে এটা সময়ৰ ব্যৱধানত পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন সংগঠিত হৈছে। সেয়েহে ই এটা প্ৰবহমান চলক (flow variable)।

পূৰ্বৱৰ্তী দ্ৰব্যসমূহক সাধাৰণতে মূলধন হিচাপে বিবেচনা কৰা হয়। প্ৰতিষ্ঠান এখনৰ মূলধনী মজুতত হোৱা সংযোজনকহে বিনিয়োগ (Investment) বোলা হয়। সেইবাবে প্ৰতিষ্ঠানৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তনকো বিনিয়োগ হিচাপে বিবেচনা কৰা হয়। বিনিয়োগৰ

তিনিটা প্ৰধান ভাগ আছে। প্ৰথমটো হ'ল প্ৰতিষ্ঠানৰ বছৰটোত বৃদ্ধি পোৱা পূৰ্বৱৰ্তী দ্ৰব্যৰ মূল্য, যাক প্ৰতিষ্ঠানখনৰ বিনিয়োগ ব্যয় বুলি কোৱা হয়। দ্বিতীয়টো ভাগ হ'ল স্থিৰ ব্যৱসায়িক বিনিয়োগ (Fixed business investment)। ইয়াৰ ভিতৰত প্ৰতিষ্ঠানে সংযোজন কৰা নতুন যন্ত্ৰ-পাতি, কাৰখানাৰ ঘৰ-দুৱাৰ বা অন্যান্য আহিলাসমূহত হোৱা বিনিয়োগ সামৰি লোৱা হয়। তৃতীয়বিধ বিনিয়োগ হ'ল আবাসিক বিনিয়োগ। ইয়াৰ ভিতৰত বসতিৰ বাবে নতুনকৈ ঘৰ-দুৱাৰৰ সুবিধা সংযোজন ঘটোৱাক সামৰি লোৱা হয়।

পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন পৰিকল্পিত বা অপৰিকল্পিত দুই ধৰণৰ হ'ব পাৰে। বিক্ৰী অনাকাংক্ষিতভাৱে হ্ৰাস পালে প্ৰতিষ্ঠানখনৰ বিক্ৰী নোহোৱা দ্ৰব্যৰ পৰিমাণ বহিৰ্ভূতভাৱে বাঢ়ি যায় আৰু এইদৰেই অপৰিকল্পিত পূৰ্বৱৰ্তী দ্ৰব্যৰ মজুত বাঢ়ে। ইয়াৰ বিপৰীতে বিক্ৰীৰ পৰিমাণ আশাতীতভাৱে বৃদ্ধি পালে পূৰ্বৱৰ্তী দ্ৰব্যৰ মজুত অপৰিকল্পিতভাৱে হ্ৰাস পায়।

এই কথাখিনি নিম্নোক্ত উদাহৰণটোৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। ধৰা হ'ল এখন প্ৰতিষ্ঠানে ছাৰ্ট উৎপাদন কৰে। প্ৰতিষ্ঠানখনে 100টা পূৰ্বৱৰ্তী ছাৰ্টৰ সৈতে বছৰটো আৰম্ভ কৰিছে। আগত বৰ্ষটোত প্ৰতিষ্ঠানখনে 1,000টা ছাৰ্ট বিক্ৰীৰ আশা ৰাখিছে। আৰু এনেদৰেই প্ৰতিষ্ঠানখনে 1,000টা ছাৰ্ট উৎপাদন কৰি বছৰৰ শেষত 100টা ছাৰ্ট পূৰ্বৱৰ্তী দ্ৰব্য হিচাপে ৰখাৰ পৰিকল্পনা কৰিছে। কিন্তু অপ্ৰত্যাশিতভাৱে বছৰটোত ছাৰ্টৰ বিক্ৰী যথেষ্ট কম হ'ল। প্ৰতিষ্ঠানখনে মাত্ৰ 600 ছাৰ্টহে বিক্ৰী কৰিবলৈ সক্ষম হ'ল। 400 ছাৰ্ট বিক্ৰী নোহোৱাকৈ থাকিল। প্ৰতিষ্ঠানখনে বছৰটোৰ শেষত 400 + 100 = 500টা ছাৰ্ট বিক্ৰী নোহোৱাকৈ ৰাখিব লাগিব। এনেধৰণৰ অপ্ৰত্যাশিত 400 পৰ্যন্ত পূৰ্বৱৰ্তী দ্ৰব্যৰ মজুতকে অপৰিকল্পিত পূৰ্বৱৰ্তী দ্ৰব্যৰ বৃদ্ধি বোলা হয়। আনহাতে যদি প্ৰতিষ্ঠানখনে 1,050টা ছাৰ্ট বিক্ৰী কৰিলেহেঁতেন, তেনেহ'লে উৎপাদন কৰা 1,000 ছাৰ্টৰ উপৰি অতিৰিক্তভাৱে পূৰ্বৱৰ্তী ছাৰ্টৰ 50টা বিক্ৰী কৰিবলগা হ'লহেঁতেন। এনেধৰণৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰা অপ্ৰত্যাশিতভাৱে 50টা হ্ৰাস পোৱাৰ দৰে পৰিঘটনাক পূৰ্বৱৰ্তী দ্ৰব্যৰ অনাকাংক্ষিত হ্ৰাস হোৱা বুলিব পাৰি।

পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিকল্পিত বৃদ্ধি বা হ্ৰাসৰ উদাহৰণ অন্যধৰণেও দিব পাৰি। ধৰা হ'ল,

বছৰটোত প্ৰতিষ্ঠানখনে পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিমাণ 100টা ছাৰ্টৰ পৰা 200টা ছাৰ্টলৈ বৃদ্ধি কৰিব বিচাৰিছে। গোটেই বছৰটোত 1,000টা বিক্ৰীৰ প্ৰত্যাশাৰে প্ৰতিষ্ঠানখনে 1,000 + 100 = 1,100টা ছাৰ্ট উৎপাদন কৰিছে। যদি প্ৰকৃততেই প্ৰতিষ্ঠানখনৰ 1,000টা ছাৰ্ট বিক্ৰী হয়, তেনেহ'লে ই পূৰ্বৱৰ্তী দ্ৰব্যৰ বৃদ্ধি কৰি বছৰটোৰ সামৰণি ঘটাব পাৰিব। নতুন পূৰ্বৱৰ্তী দ্ৰব্য মজুতৰ পৰিমাণ হ'ব 200টা ছাৰ্ট যিটো ইতিমধ্যে প্ৰতিষ্ঠানখনে পৰিকল্পনা কৰিছে। এই বৃদ্ধিয়েই হ'ল প্ৰতিষ্ঠানৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিকল্পিত বৃদ্ধিৰ এক উদাহৰণ। আনহাতে যদি প্ৰতিষ্ঠানখনে পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিমাণ 100টাৰ পৰা 25টালৈ হ্ৰাস কৰিব বিচাৰে, তেনেহ'লে ই 1,000 – 75 = 925টা ছাৰ্ট উৎপাদন কৰিব। কিয়নো 100টা পূৰ্বৱৰ্তী ছাৰ্টৰ ভিতৰত প্ৰতিষ্ঠানটোৱে 75টা ছাৰ্টহে বিক্ৰী কৰিবলৈ পৰিকল্পনা কৰিছে। তেতিয়াহে পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিমাণ বছৰটোৰ শেষত 25টা ছাৰ্টলৈ হ্ৰাস পাব (100 – 75 = 25 ছাৰ্ট), যদি প্ৰতিষ্ঠানখনে আশা কৰাৰ দৰেই ছাৰ্টৰ বিক্ৰীৰ পৰিমাণ 1,000টা হয়, তেনেহ'লে প্ৰতিষ্ঠানৰ হাতত পূৰ্বৱৰ্তী ছাৰ্টৰ পৰিমাণ পৰিকল্পনামতে হ্ৰাসপ্ৰাপ্ত হৈ 25টা ৰ'বগৈ।

আমি পৰিকল্পিত আৰু অপৰিকল্পিত পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তনৰ মাজৰ পাৰ্থক্য সম্পৰ্কে আৰু অধিক আলোচনা নিম্নোক্ত অধ্যায়ত দাঙি ধৰিম।

**পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন বিবেচনালৈ আনি আমি এনেদৰে লিখিব পাৰো ঃ**

প্ৰতিষ্ঠানৰ মুঠ মূল্য সংযোজন, i (GVAi) ≡ প্ৰতিষ্ঠানে উৎপাদন কৰা দ্ৰব্যৰ মুঠ মূল্য, i (Qi) – প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্যৰ মূল্য (Zi) .............................(2.1)

সমীকৰণ 2.1ক এনেদৰে বুজোৱা হৈছে ঃ বছৰটোত প্ৰতিষ্ঠানখনৰ পৰিৱৰ্তীত পূৰ্বৱৰ্তী দ্ৰব্য ≡ বছৰটোত প্ৰতিষ্ঠানখনৰ উৎপাদন – বছৰটোত প্ৰতিষ্ঠানৰ বিক্ৰী। এইটো উল্লেখযোগ্য যে প্ৰতিষ্ঠানৰ এই বিক্ৰীৰ পৰিমাণে কেৱল ঘৰুৱা বিক্ৰীকে সামৰি লোৱা নাই; ৰপ্তানিজনিত বিক্ৰীও সামৰি লৈছে। এইটোও মন কৰিবলগীয়া যে ওপৰত উল্লেখ কৰা চলকসমূহ প্ৰবহমান চলক। এইসমূহ সাধাৰণতে বাৰ্ষিক গণনা কৰা হয়। সেইবাবে এইসমূহে প্ৰতি বছৰৰ প্ৰবাহিত মূল্য পৰিমাপ কৰে।

প্ৰতিষ্ঠানৰ নিগুট মূল্য সংযোজন i ≡ GVAi (–) প্ৰতিষ্ঠানৰ ক্ষয়-ক্ষতিৰ পৰিমাণ i (Di)

যদি আমি এটা বছৰত অৰ্থনীতি এখনত সকলোবোৰ প্ৰতিষ্ঠানৰ মূঠ মূল্য সংযোজন যোগ কৰো, তেনেহ'লে আমি সেই বছৰটোত অৰ্থনীতিখনত উৎপাদিত দ্ৰব্য আৰু সেৱাসমূহৰ মূল্যৰ মুঠ পৰিমাণ পাব পাৰো। (আমি ইতিমধ্যে ঘেঁহু, পাউৰুটীৰ উদাহৰণটোত দেখুওৱাৰ দৰে।)

এই হিচাপটোকে মুঠ ঘৰুৱা উৎপাদন (GDP) বোলা হয়। অৰ্থাৎ GDP ≡ অৰ্থনীতিখনৰ সকলোবোৰ প্ৰতিষ্ঠানৰ মুঠ মূল্য সংযোজনৰ যোগফল।

যদি অৰ্থনীতিখনত 'N' সংখ্যক প্ৰতিষ্ঠান থাকে, আৰু প্ৰতিখনক 1ৰ পৰা Nলৈ সংখ্যাভুক্ত কৰা হয়, তেনেহ'লে GDP ≡ অৰ্থনীতিখনৰ সকলো প্ৰতিষ্ঠানৰ মুঠ মূল্য সংযোজনৰ যোগফল

$\equiv GVA_1 + GVA_2 + \ldots\ldots\ldots\ldots\ldots\ GVA_N$

সেইবাবে $GDP \equiv \sum^{N}_{i=1} GVA_i$ .................................. (2.2)

$\Sigma$ চিহ্নৰ দ্বাৰা সৰ্বমুঠ যোগফলক সংক্ষেপেৰে দেখুওৱা হৈছে। উদাহৰণস্বৰূপে $\sum^{N}_{i=1} x_i$ হ'ল $x_1 + x_2 + \ldots\ldots\ldots\ldots\ldots + x_n$ৰ সমান। ইয়াত $\sum^{N}_{i=1} GVA_i$ এ 'N' সংখ্যক প্ৰতিষ্ঠানৰ মুঠ মূল্য সংযোজনৰ সৰ্বমুঠ পৰিমাণ বুজাইছে। আমি জানো যে i তম প্ৰতিষ্ঠানৰ নিগুট মূল্য সংযোজন ($NVA_i$) হ'ল ঃ মুঠ মূল্য সংযোজন (–) minus প্ৰতিষ্ঠানে নিয়োগ কৰা মূলধনৰ ক্ষয়-ক্ষতি।

অৰ্থাৎ NVAi ≡ GVAi – Di

সেইবাবে GVAi ≡ NVAi + Di

এইটো হ'ল i তম প্ৰতিষ্ঠানৰ বাবে। এনেকুৱা N সংখ্যক প্ৰতিষ্ঠান আছে। সেয়েহে

গোটেই অৰ্থনীতিখনৰ মুঠ জাতীয় উৎপাদনক সমুদায় N সংখ্যক প্ৰতিষ্ঠানৰ সৰ্বমুঠ মূল্য সংযোজন হিচাপে জনা যায় (2.2 সমীকৰণৰ মতে)। আনহাতে এইটো হ'ল N সংখ্যক প্ৰতিষ্ঠানৰ সৰ্বমুঠ নিগুট মূল্য সংযোজন আৰু ক্ষয়-ক্ষতিৰ যোগফলৰ সমান।

আন কথাত, $GDP \equiv \sum_{i=1}^{N} NVAi + \sum_{i=1}^{N} Di$

ইয়াৰ পৰা বুজা যায় যে অৰ্থনীতি এখনৰ মুঠ ঘৰুৱা উৎপাদন হ'ল সমগ্ৰ অৰ্থনীতিখনৰ সকলো প্ৰতিষ্ঠানৰ নিগুট সংযোজিত মূল্য আৰু ক্ষয়-ক্ষতিৰ পৰিমাণৰ সৰ্বমুঠ যোগফল। সকলো প্ৰতিষ্ঠানৰ নিগুট সংযোজিত মূল্যৰ সৰ্বমুঠ যোগফলক নিগুট ঘৰুৱা উৎপাদন (Net Domestic Product) বোলা হয়।

সাংকেতিকভাৱে, $NDP \equiv \sum_{i=1}^{N} NVAi$

## 2.2.2 ব্যয় পদ্ধতি (Expenditure Method)

GDP গণনাৰ আন এক বিকল্প পদ্ধতি হ'ল উৎপাদনৰ চাহিদাৰ দিশটো লক্ষ্য কৰা। চাহিদাৰ দিশটো লক্ষ্য কৰি GDP গণনা কৰা এই পদ্ধতিটোক ব্যয় পদ্ধতি বোলা হয়। ঘেঁহু খেতিয়ক আৰু পাউৰুটী তৈয়াৰ কৰোতাৰ উদাহৰণটোত (যিটো ইতিমধ্যে আমি ব্যাখ্যা কৰিছো) ব্যয় পদ্ধতি ব্যৱহাৰ কৰি অৰ্থনীতিখনৰ উৎপাদনৰ মুঠ মূল্য গণনা কৰিবলৈ হ'লে আমি নিম্নোক্ত পথেৰে আগবাঢ়িব লাগিব। এই পদ্ধতিত আমি প্ৰতিখন প্ৰতিষ্ঠানে কৰা চূড়ান্ত ব্যয় যোগ কৰিব লাগে। চূড়ান্ত ব্যয় বুলিলে সেই ব্যয়কে বুজা যায় যি মধ্যৱৰ্তী কাম-কাজৰ উদ্দেশ্যে বহন কৰা নহয়। উদাহৰণস্বৰূপে আমাৰ উদাহৰণটোত পাউৰুটী তৈয়াৰ কৰোতাই ঘেঁহু খেতিয়কৰ পৰা কিনা 50 টকা মূলৰ ঘেঁহু মধ্যৱৰ্তী দ্ৰব্য হিচাপে বিবেচনা কৰা হয় বাবে এই পৰিমাণ চূড়ান্ত ব্যয়ত অন্তৰ্ভুক্ত কৰা নহয়। এইক্ষেত্ৰত অৰ্থনীতিখনৰ উৎপাদনৰ মুঠ মূল্য হ'ব ঃ 200 টকা (পাউৰুটী তৈয়াৰ কৰোতাই গ্ৰহণ কৰা চূড়ান্ত ব্যয়) + 50 টকা (খেতিয়কে গ্ৰহণ কৰা চূড়ান্ত ব্যয়) = 250 টকা প্ৰতি বছৰত i প্ৰতিষ্ঠানে নিম্নোলিখিতধৰণে চূড়ান্ত ব্যয়ৰ হিচাপ ৰাখিব পাৰে।

(a) প্ৰতিষ্ঠানৰ উৎপাদিত দ্ৰব্য আৰু সেৱাত হোৱা চূড়ান্ত উপভোগ ব্যয়। আমি ইয়াক সাধাৰণতে Ci ৰে বুজাওঁ। লক্ষণীয় যে সাধাৰণতে পৰিয়াল গোটসমূহে উপভোগ ব্যয় বহন কৰে। অৱশ্যে প্ৰতিষ্ঠানে তেওঁলোকৰ অতিথি শুশ্ৰূষা বা কৰ্মচাৰীৰ বাবে ক্ৰয় কৰা উপভোগ্য দ্ৰব্যসমূহ ইয়াৰ ব্যতিক্ৰম হয়।

(b) চূড়ান্ত বিনিয়োগ ব্যয় Ii হ'ল i প্ৰতিষ্ঠানে উৎপাদন কৰা মূলধনী সামগ্ৰীৰ ওপৰত আন প্ৰতিষ্ঠানে কৰা ব্যয়। মন কৰিবলগীয়া যে GDPৰ গণনাত মধ্যৱৰ্তী দ্ৰব্যৰ ব্যয় অন্তৰ্ভুক্ত নহয় যদিও বিনিয়োগ ব্যয়ক কিন্তু অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ মূল কাৰণ হ'ল বিনিয়োগ দ্ৰব্যসমূহ প্ৰতিষ্ঠানৰ লগতে থাকি যায়। আনহাতে মধ্যৱৰ্তী দ্ৰব্যসমূহ উৎপাদনী প্ৰক্ৰিয়াৰ মাধ্যমত উপভোগ কৰা হয়।

(c) i প্ৰতিষ্ঠানে উৎপাদন কৰা চূড়ান্ত দ্ৰব্য আৰু সেৱাসমূহৰ ওপৰত চৰকাৰে কৰা ব্যয়। আমি সাধাৰণতে ইয়াক *Gi* ৰে বুজাওঁ। চৰকাৰে বহন কৰা এনে চূড়ান্ত ব্যয়ে উপভোগ আৰু বিনিয়োগ এই দুয়োপ্ৰকাৰৰ ব্যয়কে সামৰি লয়।

(d) i প্ৰতিষ্ঠানে ইয়াৰ উৎপাদিত দ্ৰব্য আৰু সেৱা বিদেশলৈ ৰপ্তানি কৰি অৰ্জন কৰা ৰপ্তানি আয়। ইয়াক সাধাৰণতে Xi ৰে বুজোৱা হয়।

এইদৰে i প্ৰতিষ্ঠানে অৰ্জন কৰা সৰ্বমুঠ আয়ৰ যোগফল হ'ল ঃ

RVi ≡ i প্ৰতিষ্ঠানে লাভ কৰা চূড়ান্ত উপভোগ ব্যয়, বিনিয়োগ চৰকাৰী খণ্ডৰ ব্যয় আৰু ৰপ্তানিকৃত ব্যয়। অৰ্থাৎ $\equiv Ci + Ii + Gi + Xi$

যদি সৰ্বমুঠ প্ৰতিষ্ঠান N সংখ্যক থাকে, তেন্তে N সংখ্যক প্ৰতিষ্ঠান যোগ কৰি আমি পাওঁ যে

$\sum_{i=1}^{N} RVi$ = অৰ্থনীতিখনৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা সৰ্বমুঠ চূড়ান্ত উপভোগ, বিনিয়োগ, চৰকাৰী তথা ৰপ্তানি ব্যয়ৰ যোগফল।

$$\equiv \sum_{i=1}^{N} Ci + \sum_{i=1}^{N} Li + \sum_{i=1}^{N} Gi + \sum_{i=1}^{N} Xi \text{ ........................ } (2.3)$$

ধৰা হ'ল, C হ'ল সমগ্ৰ অৰ্থনীতিখনৰ মুঠ সামগ্ৰিক চূড়ান্ত উপভোগ ব্যয়ৰ পৰিমাণ। লক্ষ্য কৰা যে 'C'ৰ এটা অংশ উপভোগ দ্ৰব্য আমদনিৰ বাবে ব্যয় কৰা হয়। ধৰা হ'ল উপভোগ দ্ৰব্যৰ আমদানি বাবদ হোৱা ব্যয়ক Cm ৰে বুজোৱা হৈছে। সেইবাবে (C – Cm) এ ঘৰুৱা প্ৰতিষ্ঠানসমূহত কৰা সৰ্বমুঠ সামগ্ৰিক চূড়ান্ত উপভোগ ব্যয়ৰ অংশটো বুজাব। ঠিক সেইদৰে (I – Im) এ ধৰা হ'ল ঘৰুৱা প্ৰতিষ্ঠানসূহত কৰা সৰ্বমুঠ চূড়ান্ত বিনিয়োগৰ ব্যয়ৰ অংশটো বুজাইছে। য'ত I হ'ল অৰ্থনীতিখনৰ সৰ্বমুঠ চূড়ান্ত বিনিয়োগ ব্যয়ৰ মূল্য আৰু ইয়াৰ ভিতৰৰে Im পৰিমাণ বৈদেশিক বিনিয়োগ দ্ৰব্যত ব্যয় কৰা হৈছে। একেদৰেই (G – Gm) এ ঘৰুৱা প্ৰতিষ্ঠানসমূহত কৰা সৰ্বমুঠ চূড়ান্ত চৰকাৰী বিনিয়োগৰ অংশটো বুজাইছে। ইয়াত 'G' হ'ল অৰ্থনীতিখনত হোৱা সৰ্বমুঠ চৰকাৰী ব্যয় আৰু 'Gm' হ'ল 'G'ৰ সেইটো অংশ যাক আমদানি কাৰ্যত ব্যয় কৰা হৈছে।

সেয়েহে, $\sum_{i=1}^{N} Ci \equiv$ অৰ্থনীতিৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা চূড়ান্ত উপভোগৰ ব্যয়ৰ সৰ্বমুঠ যোগফল।

$\equiv$ C – Cm;

আৰু $\sum_{i=1}^{N} Ii \equiv$ অৰ্থনীতিৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা চূড়ান্ত বিনিয়োগ ব্যয়ৰ সৰ্বমুঠ যোগফল।

$\equiv$ I – Im;

আৰু $\sum_{i=1}^{N} Gi \equiv$ অৰ্থনীতিৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা চূড়ান্ত চৰকাৰী ব্যয়ৰ মুঠ যোগফল। ($\equiv$) $G - Gm$

সমীকৰণ (2.3)ত এইসমূহ ব্যৱহাৰ কৰি আমি পাওঁ

$$\sum_{i=1}^{N} RVi \equiv C - Cm + I - Im + G - Gm + \sum_{i=1}^{N} Xi$$

$$\equiv C + I + G + \sum_{i=1}^{N} Xi - (Cm + Im + Gm)$$

$$\equiv C + I + G + X - M$$

ইয়াত $X \equiv \sum_{i=1}^{N} Xi$ এ অৰ্থনীতিখনত বিদেশৰ পৰা ৰপ্তানিৰ বাবদ হোৱা সৰ্বমুঠ ব্যয় বুজাইছে। $M \equiv Cm + Im + Gm$ এ অৰ্থনীতিখনত আমদানিৰ বাবদ হোৱা ব্যয় বুজাইছে।

আমি জানো যে, $GDP \equiv$ অৰ্থনীতিখনৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা চূড়ান্ত ব্যয়ৰ মুঠ যোগফল।

আন কথাত, $GDP \equiv \sum_{i=1}^{N} RVi \equiv x + I + G + X - M$ ...................... (2.4)

সমীকৰণ (2.4)ৰ দ্বাৰা ব্যয় পদ্ধতি গণনা কৰাকে GDP বুজোৱা হয়।

## 2.2.3 আয় পদ্ধতি (Income Method)

আমি প্ৰথমতেই উল্লেখ কৰিছো যে অৰ্থনীতি এখনৰ মুঠ চূড়ান্ত ব্যয়, উৎপাদনৰ সকলো উপাদানৰ আয়ৰ সমষ্টিৰ সৈতে সমান (চূড়ান্ত ব্যয় বুলি কওঁতে সকলো চূড়ান্ত দ্ৰব্যৰ ওপৰত হোৱা ব্যয়ৰ কথা কোৱা হৈছে। এই ব্যয়ত মধ্যৱৰ্তী দ্ৰব্যৰ ব্যয় অন্তৰ্ভুক্ত হোৱা নাই।) ইয়াৰ পৰা সাধাৰণভাৱে ধাৰণা কৰিব পাৰি যে সকলো প্ৰতিষ্ঠানে উপাৰ্জন কৰা আয়ৰ সমষ্টি মজুৰি, লাভ, সুদ আৰু খাজনাৰ মাধ্যমত উৎপাদনৰ উপাদানসমূহৰ মাজত বিতৰণ কৰি দিয়া হয়। ধৰা হ'ল এটা নিৰ্দিষ্ট বছৰত i তম পৰিয়াল গোটটোৱে লাভ কৰা মজুৰি আৰু দৰমহাৰ পৰিমাণ হ'ল Wi। সেইদৰে Pi, $I_{ni}$, Ri হ'ল নিৰ্দিষ্ট বছৰটোত i তম পৰিয়াল গোটটোৱে লাভ কৰা যথাক্ৰমে মুঠ লাভ, সুদ আৰু খাজনাৰ পৰিমাণ। এইক্ষেত্ৰত GDPৰ পৰিমাণ হ'ব ঃ

$$GDP \equiv \sum_{i=1}^{M} Wi + \sum_{i=1}^{M} Pi + \sum_{i=1}^{M} Ini + \sum_{i=1}^{M} Ri$$

$$\equiv W + P + In + R \text{ ....................... (2.5)}$$

ইয়াত $\sum_{i=1}^{M} Wi \equiv W, \sum_{i=1}^{M} Pi \equiv P, \sum_{i=1}^{M} Ini \equiv In, \sum_{i=1}^{M} Ri \equiv R$

সমীকৰণ (2.2), (2.4) আৰু (2.5) একলগ কৰিলে আমি পাওঁ যে

$$GDP \equiv \sum_{i=1}^{N} GVAi \equiv C + I + G + X - M$$


$$\equiv W + P + In + R \text{ ....................... } (2.6)$$

এইটো মন কৰিবলগীয়া যে (2.6) 'I'ৰ দ্বাৰা প্ৰতিষ্ঠানসমূহে ব্যয় কৰা সকলো প্ৰকাৰৰ পৰিকল্পিত আৰু অপৰিকল্পত বিনিয়োগৰ যোগফল দেখুওৱা হৈছে। যিহেতু (2.2), (2.4) আৰু (2.6) হ'ল GDPৰ বেলেগ বেলেগ প্ৰকাশ, সেইবাবে আমি 2.2 চিত্ৰৰ সহায়ত সমতাসূচকভাৱে প্ৰকাশ কৰিম।

পৰিয়াল গোটসমূহে তেওঁলোকৰ আয় কেনেদৰে ব্যয় কৰে সেইটো এটা লক্ষ্য কৰিবলগীয়া বিষয়। ইয়াৰ তিনিটা মূল পথ আছে। হয়তো তেওঁলোকে উপভোগত ব্যয় কৰে নাইবা সঞ্চয় কৰে বা কৰ পৰিশোধ কৰে। (এইক্ষেত্ৰত কোনো সাহায্য বা দান-বৰঙণি বা বিদেশলৈ হোৱা হস্তান্তৰযোগ্য দেনাৰ কথা নাই বুলি অনুমান কৰা হৈছে। আয়ৰ এই পথেৰেও ব্যয় কৰাৰ সম্ভাৱনা থাকে।) ধৰা হ'ল মুঠ সঞ্চয়ৰ পৰিমাণ হ'ল 'S' আৰু তেওঁলোকে আদায় দিয়া কৰৰ পৰিমাণ হ'ল 'T'

সেইবাবে GDP ≡ C + S + T ....................... (2.7)

সমীকৰণ (2.4)ক (2.7)ৰ সৈতে তুলনা কৰি আমি পাওঁ




চিত্ৰ 2.2 তিনিওটা পদ্ধতিৰ দ্বাৰা GDPৰ ৰৈখিক প্ৰকাশ

$$C + I + G + X - M \equiv S + T$$

দুয়োফালৰ পৰা চূড়ান্ত উপভোগ ব্যয় 'C' বাদ দি আমি পাওঁ

$$I + G + X - M \equiv S + T$$

আন কথাত, $(I - S) + (G - T) \equiv M - X$ ...................... (2.8)

সমীকৰণ (2.8)ত (G – T)ৰ সহায়ত চৰকাৰে লাভ কৰা কৰ ৰাজহৰ তুলনাত চৰকাৰী ব্যয়ৰ পৰিমাণ কিমান বেছি সেইটো গণনা কৰা হয়। ইয়াক ঘাটি বাজেট (budget deficit) বুলি কোৱা হয়। (M – X) ক বাণিজ্যিক ঘাটি (trade deficit) বোলা হয়। ইয়াৰ সহায়ত ৰপ্তানি আয়ৰ তুলনাত অৰ্থনীতিখনে কিমান অধিক পৰিমাণৰ আমদানি ব্যয় বহন কৰিব লাগে সেইটো গণনা কৰা হয়। ('M' হ'ল দেশৰ পৰা হোৱা বহিঃপ্ৰবাহ আৰু 'X' হ'ল দেশলৈ হোৱা আন্তঃপ্ৰবাহ।)


যদি কোনো চৰকাৰ নাথাকে, কোনো বৈদেশিক বাণিজ্য নাথাকে, তেনেহ'লে $G = T = M = x = 0$, এইদৰেই সমীকৰণ (2.8)ৰ পৰা পোৱা যায় যে

$I \equiv S$ ...................... (2.9)

(2.9) হ'ল এক সাধাৰণ হিচাপৰক্ষণ পৰিচিত (accounting identity)। GDPৰ ভিতৰত, এটা অংশ উপভোগ কৰা হয়, এটা অংশ সঞ্চয় কৰা হয় (আয় আহৰণ কৰোতাসকলৰ ফালৰ পৰা)। আনহাতে প্ৰতিষ্ঠানৰ ফালৰ পৰা মুঠ চূড়ান্ত ব্যয় গ্ৰহণৰ পৰিমাণ (≡ GDP) উপভোগ ব্যয় আৰু বিনিয়োগ ব্যয়ৰ সমান হ'ব লাগিব। পৰিয়াল গোটসমূহে গ্ৰহণ কৰা সৰ্বমুঠ আয় প্ৰতিষ্ঠানসমূহে গ্ৰহণ কৰা ব্যয়ৰ সমান, কিয়নো আয় পদ্ধতি আৰু ব্যয় পদ্ধতিৰ পৰা পোৱা DGPৰ পৰিমাণ সমান। যিহেতু দুয়ো ফালৰ পৰাই উপভোগ ব্যয় বাদ দিয়া হয়, সেয়েহে আমি মুঠ সঞ্চয় আৰু সৰ্বমুঠ বিনিয়োগৰ সমতাৰ অৱস্থা লাভ কৰো।

## 2. সমষ্টিবাদী অৰ্থনীতিৰ কেতবোৰ অভেদ (Some Macro Enonomic Identities)

এটা বছৰৰ ভিতৰত ঘৰুৱা অৰ্থনীতিত হোৱা সকলো চূড়ান্ত দ্ৰব্য আৰু সেৱাক মুঠ ঘৰুৱা উৎপাদনে পৰিমাপ কৰে। কিন্তু সেই উৎপন্ন গোটেইখিনি দেশখনৰ নাগৰিকে কৰা নহ'বও পাৰে। উদাহৰণস্বৰূপে এজন ভাৰতীয় নাগৰিকে ছৌডি আৰবত থাকি কৰা উপাৰ্জনখিনি ছৌডি আৰবৰ ঘৰুৱা উৎপাদনে সামৰি ল'ব। কিন্তু নীতিগতভাৱে তেওঁ এজন ভাৰতীয়। কিন্তু এনে কিবা পদ্ধতি আছে নেকি যাৰ সহায়ত এজন ভাৰতীয়ই তেওঁ বিদেশত কৰা অৰ্জন বা ভাৰতীয় লোকৰ উৎপাদনৰ উপাদানসমূহে বিদেশত কৰা উৎপাদন, ঘৰুৱা উৎপাদনত সামৰি ল'ব পাৰি? আমি সামঞ্জস্য ৰাখিবলৈ যেতিয়া এইটো কৰো, তেতিয়া আমি আমাৰ ঘৰুৱা অৰ্থনীতিত কাম কৰি থকা বিদেশী নাগৰিকৰ উপাৰ্জন বিয়োগ কৰো বা তেওঁলোকে নিজৰ দেশলৈ উৎপাদনৰ উপাদানসমূহৰ দেনা হিচাপে যি পঠায় সেয়া মুঠ ঘৰুৱা উৎপাদনৰ পৰা বাদ দিওঁ। উদাহৰণস্বৰূপে কোৰিয়ান মটৰ কোম্পানী হোণ্ডাই, যিটো ভাৰতৰ মাটিত অৱস্থিত। তেওঁলোকৰ আয় আমাৰ ঘৰুৱা উৎপাদনৰ পৰা বাদ দিব লাগে। এই যোগ কিম্বা বিয়োগৰ মাধ্যমত যিটো সমষ্টিবাদী চলক বিবেচনালৈ অনা হয়, তাক মুঠ জাতীয় উৎপাদন (Gross National Product) বুলি কোৱা হয়। ইয়াৰ সংজ্ঞা এনেদৰে দিব পাৰি।



বিদেশী ব্যক্তিজনে ঘৰুৱা অৰ্থনীতিৰ পৰা আয়ৰ অংশ ল'বলৈ বিচাৰিছে। এইটো উদাহৰণস্বৰূপে শ্ৰেণীকোঠাত আলোচনা কৰিব পাৰি।

GNP ≡ GDP + উৎপাদনৰ ঘৰুৱা উপাদানসমূহে বিশ্বৰ বিভিন্ন প্ৰান্তত থাকি কৰা আয় অৰ্থাৎ GNP ≡ GDP + উপাদনৰ বিদেশৰ পৰা হোৱা নিগুট আয় (Net factor

income)। আমি ইতিমধ্যে উল্লেখ কৰিছো যে মূলধনৰ এটা অংশ বছৰটোৰ ভিতৰত ক্ষয়প্ৰাপ্ত হয় আৰু ইয়াকে মূলধনৰ ক্ষয়-ক্ষতি (depreciation) বোলা হয়। স্বাভাৱিকভাৱেই এই ক্ষয়-ক্ষতি কাৰো আয়ৰ অন্তৰ্ভুক্ত নহয়। আমি যদি GNPৰ পৰা মূলধনৰ ক্ষয়-ক্ষতি বাদ দিওঁ তাকেই নিগুট জাতীয় উৎপাদন (Net National Product) বোলা হয়। সেয়েহে, (NNP ≡ GNP – মূলধনৰ ক্ষয়-ক্ষতি)।

এইটো মন কৰিবলগীয়া কথা যে এই সমগ্ৰ চলকবোৰ (Variables) বজাৰ দৰত নিৰ্ধাৰণ কৰা হয়। উপৰোক্ত নিগুট জাতীয় উৎপাদনৰ গাণিতিক প্ৰকাশৰ পৰা আমি ইয়াৰ মান বজাৰ মূল্যতহে পাব পাৰো। কিন্তু বজাৰ মূল্যত পৰোক্ষ কৰো অন্তৰ্ভুক্ত হৈ থাকে। যেতিয়া দ্ৰব্য সামগ্ৰী আৰু সেৱা কাৰ্যত পৰোক্ষ কৰ আৰোপ কৰা হয়, তেতিয়া ইয়াৰ মূল্যবৃদ্ধি ঘটে। পৰোক্ষ কৰ সাধাৰণতে চৰকাৰী ভঁৰাললৈ যায়। সেয়েহে উৎপাদনৰ উপাদানৰ বাবে প্ৰয়োজনীয় নিগুট জাতীয় আয় (NNP) পাবলৈ হ'লে বজাৰ মূল্যৰ নিগুট জাতীয় আয়ৰ পৰা পৰোক্ষ কৰ (indirect tax) বাদ দিব লাগিব। সেইদৰে কিছুমান সামগ্ৰীৰ ওপৰত ৰাজসাহায্য (Subsidy) থাকিব পাৰে। ভাৰতবৰ্ষত পেট্ৰ'লৰ ওপৰত যথেষ্ট কৰ আৰোপ কৰা হয় আৰু ৰন্ধন গেছৰ মূল্যৰ ওপৰত ৰাজসাহায্য থাকে। সেইবাবে বজাৰ মূল্যৰ নিগুট ৰাষ্ট্ৰীয় আয় পাবলৈ শুদ্ধ জাতীয় আয় (NNP)ৰ লগত ৰাজসাহায্য (Subsidy) যোগ কৰিব লাগিব। এইদৰে লাভ কৰা জাতীয় আয়ৰ হিচাপক উপাদান ব্যয় (Factor cost)ৰ ভিত্তিত নিগুট জাতীয় উৎপাদন (Net National Product at Factor Cost) বোলা হয় অথবা তাক আমি জাতীয় আয় ( National Income) বুলিও ক'ব পাৰো।

অৰ্থাৎ উপাদানৰ ব্যয়ৰ ভিত্তিত নিগুট জাতীয় আয় (Net National Product at Factor Cost) ≡ জাতীয় আয় (NI) ≡ বজাৰ মূল্যত নিগুট জাতীয় আয় (NNP at Market Price) – শুদ্ধ পৰোক্ষ কৰ (Net indirect taxes ≡ indirect taxes – subsidies)

জাতীয় আয়ক আমি আৰু কিছুমান ক্ষুদ্ৰ উপৰিভাগত ভগাব পাৰো। এতিয়া আমি

পৰিয়াল গোটসমূহে লাভ কৰা জাতীয় আয়ৰ অংশটো কেনেদৰে প্ৰকাশ কৰিব পাৰি সেই সন্দৰ্ভত আলোচনা কৰিম। আমি ইয়াক ব্যক্তিগত আয় (Personal Income) বুলি ক'ম। প্ৰথমতে চোৱা যাওক যে জাতীয় আয়ৰ ভিতৰত যিটো পৰিমাণ প্ৰতিষ্ঠান আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহে অৰ্জন কৰে, ইয়াৰ এটা অংশ লাভ উৎপাদনৰ উপাদানসমূহৰ মাজত বিতৰণ কৰা নহয় আৰু এই অংশটোকে অবিতাৰিত লাভ (Undistributed) বুলি কোৱা হয়। আমি এই অবিতাৰিত লাভ জাতীয় আয়ৰ পৰা বাদ দিলেহে ব্যক্তিগত আয় পাব পাৰো। যিহেতু এই অংশটো পৰিয়াল গোটসমূহে কেতিয়াও আহৰণ নকৰে, সেইদৰে নিগম কৰ (Corporate tax) উৎপাদন প্ৰতিষ্ঠানসমূহৰ উপাৰ্জনৰ ওপৰত আৰোপ কৰা হয় আৰু ইয়াক জাতীয় আয়ৰ পৰা বাদ দিয়া হয়। কিয়নো নিগম কৰে পৰিয়াল গোটসমূহৰ আয় বৃদ্ধি নকৰে। আনহাতে পৰিয়াল গোটসমূহে ব্যক্তিগত প্ৰতিষ্ঠান বা চৰকাৰৰ পৰা তেওঁলোকে আগবঢ়োৱা ঋণৰ পৰা পোৱা সুদৰ দেনা লাভ কৰে। ঠিক একেদৰেই পৰিয়াল গোটসমূহেও বিভিন্ন প্ৰতিষ্ঠান আৰু চৰকাৰক তেওঁলোকে লোৱা ঋণৰ বাবদ সুদ দিবলগা হয়। সেয়েহে আমি পৰিয়াল গোটসমূহে প্ৰতিষ্ঠানসমূহ আৰু চৰকাৰক আদায় দিয়া সুদৰ পৰিমাণো বাদ দিব লাগে। পৰিয়াল গোটসমূহে বিভিন্ন প্ৰতিষ্ঠান আৰু চৰকাৰৰ পৰা হস্তান্তৰযোগ্য দেনা লাভ কৰে (পেন্সন, বৃত্তি, পুৰস্কাৰ ইত্যাদি)। এইসমূহ পৰিয়াল গোটবোৰৰ আয়ৰ সৈতে যোগ কৰিব লাগে।


সেয়েহে ব্যক্তিগত আয় (PI) ≡ জাতীয় আয় – অবিতাৰিত লাভ – পৰিয়াল গোটসমূহে দিয়া শুদ্ধ সুদৰ দেনা – নিগম কৰ + পৰিয়াল গোটসমূহে লাভ কৰা চৰকাৰ আৰু উদ্যোগ প্ৰতিষ্ঠানৰ হস্তান্তৰযোগ্য দেনা।

কিন্তু ব্যক্তিগত আয়ো পৰিয়াল গোটসমূহে সম্পূৰ্ণৰূপে ব্যয় কৰিব পৰা আয় নহয়। তেওঁলোকে ব্যক্তিগত আয়ৰ পৰা কৰ প্ৰদান কৰিবলগা হয়। যদি আমি ব্যক্তিগত আয়ৰ পৰা ব্যক্তিগত কৰ, দেনা (আয়কৰ) আৰু অনাকৰ দেনা (উদাহৰণ জৰিমনা) বাদ দিওঁ, তেনেহ'লে যি পৰিমাণৰ আয় বাকী থাকিব তাকে ব্যক্তিগত ব্যয়যোগ্য আয় (Personal

disposable income) বুলি কোৱা হয়। সেয়েহে ব্যক্তিগত ব্যয়যোগ্য আয় (PDI) ≡ ব্যক্তিগত আয় – ব্যক্তিগত কৰ দেনা – অনাকৰ দেনা (Non-tax payments)।

ব্যক্তিগত ব্যয়যোগ্য আয় হ'ল পৰিয়াল গোটসমূহৰ অন্তৰ্ভুক্ত মুঠ ব্যয়ৰ অংশ। ইয়াৰে এটা অংশ তেওঁলোকে ভোগ কৰি বাকী অংশ সঞ্চয় কৰিব পাৰে। 2.3 নং চিত্ৰত আমি সমষ্টিবাদী অৰ্থনীতিৰ এই মূল চলকসমূহৰ মাজত থকা সম্পৰ্ক প্ৰকাশ কৰাৰ চেষ্টা কৰিছো।

ভাৰতবৰ্ষৰ কেতবোৰ প্ৰধান সমষ্টিবাদী অৰ্থনীতিৰ চলকৰ তালিকা এখন (1990-91)ৰ পৰা (2004-05)ৰ ভিতৰৰ চলিত দৰত এই অধ্যায়ৰ শেষত দাঙি ধৰা হৈছে। ইয়াৰ দ্বাৰা পঢ়ুৱৈসকলে এইসমূহৰ প্ৰকৃত মূল্যৰ এটা থূলমূল অভাস পাব।




চিত্ৰ ঃ 2.3

### চিত্ৰত দেখুওৱা মুঠ আয়ৰ উপৰিভাগসমূহ এনেধৰণৰ ঃ

NIFA বিদেশৰ পৰা আৰ্জিত উপাদানৰ নিগুট আয় (Net factor income from, abroad) D : উৎপাদনৰ ক্ষয়-ক্ষতি (Depreciation); ID Sub : ৰাজসাহায্য (Subsidies);

পৰোক্ষ কৰ (Indirect taxes) UP; অবিতাৰিত লাভ (Undistributed Profit) : NIH : পৰিয়াল গোটসমূহে প্ৰদান কৰা নিগুট সুদ (Net interest payments by Households); CT : নিগম কৰ (Corporate Taxes); (Transfers received by Households) : পৰিয়ালসমূহে লাভ কৰা হস্তান্তৰ জড়িত আয়, PTP ব্যক্তিগত কৰ প্ৰদান (Personal Tax Payment); NP : অনা-কৰ প্ৰদান (Non-Tax Payment)।

## 2.4 দ্ৰব্য আৰু মূল্য (Goods and Prices)

ইতিমধ্যে হোৱা সকলো আলোচনাৰ এটা অন্তৰ্নিহিত অভিধাৰণা (assumption) হ'ল, অধ্যয়নৰ সময়ছোৱাত দ্ৰব্য আৰু সেৱাসমূহৰ দৰ পৰিৱৰ্তন নহয়। যদি দৰৰ পৰিৱৰ্তন হয়, তেনেহ'লে জাতীয় আয়ৰ তুলনামূলক অধ্যয়নত অসুবিধাৰ সৃষ্টি হ'ব। যদি আমি এখন দেশৰ ক্ৰমাগতভাৱে দুটা বছৰৰ জাতীয় আয়ৰ পৰিমাপ লৈ দেখো যে পিচৰ বছৰৰ

### ৰাষ্ট্ৰীয় ব্যয়যোগ্য আয় আৰু ব্যক্তিগত আয় (National Disposable Income and Private Income)

ইতিপূৰ্বে আলোচনা কৰা মুঠ সমষ্টিগত চলকসমূহৰ উপৰি ভাৰতবৰ্ষত জাতীয় আয় গণনাৰ বেলিকা আন কিছুসংখ্যক মুঠ আয়ৰ ধাৰণা ব্যৱহৃত হয়।

**ৰাষ্ট্ৰীয় ব্যয়যোগ্য আয় (National Disposal Income) ঃ** বজাৰ মূল্যত নিগুট জাতীয় আয় + বিশ্বৰ অন্যান্য প্ৰান্তৰ পৰা প্ৰবাহিত হোৱা হস্তান্তৰযোগ্য আয়। ৰাষ্ট্ৰীয় ব্যয়যোগ্য আয়ৰ ধাৰণাটোৱে আমাক অৰ্থনীতি এখনৰ সৰ্বোচ্চ পৰিমাণৰ ব্যৱহাৰযোগ্য দ্ৰব্য আৰু সেৱাৰ পৰিমাণৰ বিষয় জানিবলৈ দিয়ে। বিশ্বৰ বিভিন্ন ঠাইৰ পৰা হোৱা চলিত হস্তান্তৰে উপহাৰ, সাহায্য ইত্যাদিসমূহ সামৰি লৈছে।

**ব্যক্তিগত আয় ঃ** ব্যক্তিগত খণ্ডৰ নিগুট ঘৰুৱা উৎপাদনৰ পৰা হোৱা উপাদানৰ আয় + ৰাষ্ট্ৰীয় ঋণৰ সুদ + বিদেশৰ পৰা হোৱা নিগুট উপাদানৰ আয় + চৰকাৰৰ পৰা হোৱা চলিত হস্তান্তৰ + বিশ্বৰ অন্য প্ৰান্তৰ পৰা হোৱা নিগুট হস্তান্তৰযোগ্য আয়।

জাতীয় আয় আগৰ বছৰৰ প্ৰায় দুগুণ, তেনেহ'লে সেই দেশখনৰ উৎপাদন দুগুণ হোৱা বুলি সিদ্ধান্ত ল'ব পাৰি। কিন্তু সেৱা আৰু সামগ্ৰীৰ পৰিমাণ একে থাকিলেও এই দুটা বছৰৰ ভিতৰত দৰৰ পৰিমাণো দুগুণলৈ বাঢ়িব পাৰে। সেইবাবে বিভিন্ন দেশৰ বা একেখন দেশৰে বিভিন্ন সময়ত সৰ্বমুঠ জাতীয় ঘৰুৱা উৎপাদনৰ তুলনামূলক অধ্যয়নৰ বাবে চলিত বজাৰ মূল্যৰ সৰ্বমুঠ জাতীয় উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি। তুলনাৰ বাবে আমি প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ (Real GDP) সহায় লওঁ। প্ৰকৃত মুঠ জাতীয় আয় গণনাৰ বাবে কেতবোৰ সেৱা আৰু সামগ্ৰীৰ এক স্থিৰ দৰ সংহতিৰ (Constant set of prices or constant prices) ওপৰত নিৰ্ভৰ কৰিবলগা হয়। যিহেতু এই দৰসমূহ স্থিৰে থকা বুলি ধৰা হয়, সেয়েহে প্ৰকৃত মুঠ জাতীয় আয় পৰিৱৰ্তন হ'লে মুঠ উৎপাদনৰ পৰিমাণ পৰিৱৰ্তন হোৱাটো নিশ্চিত বুলিব পাৰি। আনহাতে সাধাৰণ মুঠ জাতীয় উৎপাদন হৈছে প্ৰচলিত দৰত মুঠ জাতীয় উৎপাদনৰ মূল্য। উদাহৰণস্বৰূপে ধৰা হওক, এখন দেশে একমাত্ৰ পাউৰুটী তৈয়াৰ কৰে। আকৌ ধৰা হ'ল, যে 2000 চনত দেশখনে 100টা পাউৰুটী উৎপাদন কৰিছিল আৰু প্ৰতি পাউৰুটীৰ দাম সেই সময়তে 10 টকা আছিল। এইক্ষেত্ৰত দেশখনৰ সেই সময়ৰ চলিত মূল্যত মুঠ জাতীয় উৎপাদন হ'ব 1000 টকা। সেই একেখন দেশে প্ৰতিটো পাউৰুটীত 15 টকাকৈ 2001 চনত মুঠ 110টা পাউৰুটী উৎপাদন কৰিলে। গতিকে 2001 চনত সাধাৰণ মুঠ জাতীয় উৎপাদন হ'ল 1,650 (= 110 ×15 টকা)। (2000 চনক ভিত্তিবৰ্ষ হিচাপে লৈ) 2000 চনৰ দৰত 2001 চনত মুঠ প্ৰকৃত ঘৰুৱা জাতীয় উৎপাদন হ'ব 110 ×10 টকা = 1,110 টকা।

সাধাৰণ মুঠ ঘৰুৱা জাতীয় উৎপাদন আৰু প্ৰকৃত মুঠ জাতীয় ঘৰুৱা উৎপাদনৰ অনুপাতৰ সহায়ত ভিত্তিবৰ্ষৰ (base year) (প্ৰকৃত মুঠ জাতীয় উৎপাদনৰ গণনাত যিটো বছৰৰ দৰক বিবেচনা কৰা হয়) পৰা চলিত বৰ্ষলৈ দৰৰ গতি পৰিৱৰ্তন লক্ষ্য কৰিব পাৰি। চলিত বৰ্ষত প্ৰকৃত আৰু সাধাৰণ GDP গণনাত উৎপাদন স্থিৰে থাকে। সেয়েহে এই মাপসমূহৰ মাজত পাৰ্থক্য ঘটে ভিত্তিবৰ্ষ আৰু চলিত বৰ্ষৰ (current year) মাজত দৰৰ পৰিৱৰ্তনৰ বাবে। সাধাৰণ আৰু প্ৰকৃত GDPৰ অনুপাত হৈছে আমি সকলোৰে জনা দৰ

সূচক (index of prices)। ইয়াকে GDP Deflator বুলি কোৱা হয়। আমি যদি সাধাৰণ মুঠ ঘৰুৱা উৎপাদনক GDPৰে আৰু প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনক gdp ৰে বুজাওঁ, তেনেহ'লে

$$\text{GDP Deflator} = \frac{\text{GDP}}{\text{gdp}}$$

কেতিয়াবা সংকোচক ( Deflator)ক শতাংশ হিচাপেও প্ৰকাশ কৰা হয়। এনেক্ষেত্ৰত

$$\text{GDP Deflator} = \frac{\text{GDP}}{\text{gdp}} \times 100$$ শতাংশ, আগৰ উদাহৰণটোত

$GDP\ Deflator = \frac{1,650}{1,100} = 1.50$ বা (শতাংশ হিচাপত 150%) অৰ্থাৎ 2001 চনত উৎপাদিত পাউৰুটীৰ মূল্য 2000 চনত উৎপাদিত পাউৰুটীৰ মূল্যৰ 1.5 গুণ। পাউৰুটীৰ মূল্য 10 টকাৰ পৰা 15 টকা হোৱা কাৰ্যইহে ইয়াৰ সত্যতা প্ৰতিপন্ন কৰে। GDP Deflatorৰ দৰে মুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ সংকোচক (Deflator)ও আমি পাব পাৰো।

কোনো এক অৰ্থনীতিৰ দৰ পৰিৱৰ্তনৰ জোখ লোৱাৰ আন এক ব্যৱস্থা হ'ল উপভোক্তাৰ দৰ সূচক (Consumer Price Index or CPI)। এই সূচক হ'ল উপভোক্তাৰ দ্বাৰা ক্ৰয় কৰা নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য সামগ্ৰীৰ দৰ সূচক। এইক্ষেত্ৰত আমাৰ বিবেচনাধীন দুটা বছৰ হ'ল ভিত্তিবৰ্ষ আৰু চলিত বৰ্ষ আৰু এই দুয়োটা বছৰৰ ক্ৰয় সংক্ৰান্তীয় ব্যয় গণনা কৰিব লাগে। ইয়াৰ পিচত আমি চলিত বছৰৰ ক্ৰয়জনিত ব্যয়ক ভিত্তিবৰ্ষৰ ক্ৰয়জনিত ব্যয়ৰ শতাংশ হিচাপে প্ৰকাশ কৰো। ইয়াৰ পৰা আমি চলিত বৰ্ষ আৰু ভিত্তিবৰ্ষৰ বাবে উপভোক্তাৰ দৰ সূচক পাওঁ। উদাহৰণস্বৰূপে, চাউল আৰু কাপোৰ উৎপাদন কৰা এক অৰ্থনীতিৰ কথা বিবেচনা কৰা হওক। এজন উপভোক্তাই এবছৰত 90 কেজি চাউল আৰু 5 বিধ কাপোৰ কিনে। ধৰা হ'ল, 2000 চনত এক কেজি চাউলৰ মূল্য আছিল 10 টকা আৰু এবিধ কাপোৰৰ মূল্য আছিল 100 টকা। গতিকে উপভোক্তাজনে 2000 চনত চাউল আৰু কাপোৰৰ ওপৰত মুঠ ব্যয় কৰিবলগা হৈছিল ক্ৰমে $10 \times 90 = 900$ টকা আৰু $100 \times 5 = 500$ টকা। উভয়বিধ সামগ্ৰীৰ মুঠ ব্যয় হ'ব 900 টকা + 500 টকা = 1,400 টকা।

এতিয়া ধৰা হ'ল 2005 চনত এক কেজি চাউল আৰু এবিধ কাপোৰৰ দাম যথাক্ৰমে 15 টকা আৰু 120 টকালৈ বৃদ্ধি পালে। সেই একে পৰিমাণৰ চাউল আৰু কাপোৰ ক্ৰয় কৰিবলৈ এতিয়া উপভোক্তাজনে ক্ৰমে 1,350 টকা আৰু 600 টকা ব্যয় কৰিব লাগে। (পূৰ্বতে কৰা হিচাপৰ দৰে); আৰু উপভোক্তাজনৰ মুঠ ব্যয় হ'ব (1,350 + 600) = 1,950 টকা। এইক্ষেত্ৰত উপভোক্তাৰ দৰ সূচক CPI হ'ব

$$= \frac{1,950}{1,400} \times 100 = 139.29 \text{ (Approximately)}$$

এইখিনিতে উল্লেখযোগ্য যে বহু সামগ্ৰীৰ ক্ষেত্ৰত দুই প্ৰকাৰৰ দৰ থাকে। এটা হ'ল খুচুৰা দৰ, যিটো উপভোক্তাই সাধাৰণতে বহন কৰিবলগা হয়। আৰু আনটো হ'ল পাইকাৰী দৰ যিটো দৰত অধিক পৰিমাণৰ সামগ্ৰী কিনা-বেচা কৰা হয়। ব্যৱসায়ীৰ লভ্যাংশৰ সীমাৰ বাবে এই দুইধৰণৰ দৰৰ পাৰ্থক্য থাকে। সাধাৰণতে উপভোক্তাই সৰহকৈ দ্ৰব্যসমূহ যেনে কেঁচা সামগ্ৰী বা অৰ্ধচূড়ান্ত দ্ৰব্যসমূহ ক্ৰয় নকৰে। পাইকাৰী দৰৰ ক্ষেত্ৰত আমি পাইকাৰী দৰ সূচক (Wholesale Price Index / WPI) ব্যৱহাৰ কৰো। আমেৰিকাৰ দৰে দেশসমূহত ইয়াক উৎপাদনকাৰীৰ দৰ সূচক (Producer Price Index / PPI) বুলি জনা যায়। CPI সাধাৰণতে GDP Deflatorৰ পৰা নিম্নোক্ত কাৰণসমূহৰ বাবে পৃথক হয়।

1. উপভোক্তাই ক্ৰয় কৰা দ্ৰব্যসমূহে সমগ্ৰ দেশখনত উৎপাদিত দ্ৰব্যসমূহক প্ৰতিনিধিত্ব নকৰে। কিন্তু GDP Deflator -এ এই সকলোবোৰ সামৰি লয়।

2. CPI এ সাধাৰণতে প্ৰতিনিধিমূলক উপভোক্তাই উপভোগ কৰা সামগ্ৰীসমূহৰ দৰহে সামৰি লয়। ই আমদানিকৃত সামগ্ৰীৰ দৰো সামৰি লয়। কিন্তু GDP Deflator -এ আমদানিকৃত সামগ্ৰীৰ দৰ সামৰি নলয়।

3. CPI ৰ ক্ষেত্ৰত ভৰসমূহ (Weights) সদায় স্থিৰ। GDP deflatorৰ ক্ষেত্ৰত প্ৰত্যেক দ্ৰব্যৰ উৎপাদন অনুসৰি এই ভৰসমূহ বেলেগ বেলেগ হয়।

## 2.5 মুঠ ঘৰুৱা উৎপাদন আৰু কল্যাণ (GDP and Welfare)




জাতীয় আয় বিতৰণ কিমান সমতাপূৰ্ণ? এইটো লক্ষণীয় যে বেছিসংখ্যক মানুহেই দুখীয়া আৰু অতি কমসংখ্যক ব্যক্তিহে জাতীয় আয় বিতৰণৰ জৰিয়তে লাভৱান হয়।

দেশ এখনৰ মুঠ ঘৰুৱা উৎপাদনক সেই দেশখনৰ জনসাধাৰণৰ কল্যাণৰ এক সূচক হিচাপে গ্ৰহণ কৰিব পাৰিনে? যদি এজন ব্যক্তিৰ আয়ৰ পৰিমাণ বাঢ়ে, তেনেহ'লে তেওঁ অধিক পৰিমাণৰ দ্ৰব্য আৰু সেৱা ক্ৰয় কৰিব পাৰে আৰু এইদৰে তেওঁৰ বস্তুবাদী কল্যাণৰ মাত্ৰা বাঢ়ে। এই দিশৰ পৰা তেওঁৰ আয় স্তৰৰ বৃদ্ধিক তেওঁৰ উন্নতিৰ এক যুক্তিসংগত আধাৰৰূপে গণ্য কৰিব পাৰি। আনহাতে কোনো এক নিৰ্দিষ্ট বছৰত এখন দেশৰ ভৌগোলিক সীমাৰ ভিতৰত উৎপাদিত দ্ৰব্য আৰু সেৱাৰ সমষ্টিয়েই হ'ল মুঠ ঘৰুৱা উৎপাদন। এই পৰিমাণ জনসাধাৰণৰ মাজত আয়ৰ মাধ্যমত বিতৰণ কৰা হয়। অৱশ্যে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে ব্যৱসায়ৰ উন্নতিৰ বাবে পৃথককৈ ৰাখি থোৱা ধনখিনি আয় বিতৰণৰ ভিতৰত ধৰা নহয়। সেয়েহে আমি উচ্চ স্তৰৰ GDPক দেশ এখনৰ জনসাধাৰণৰ কল্যাণসূচক হিচাপে গণ্য কৰিব পাৰো। (দৰ পৰিৱৰ্তনৰ কথা বিবেচনা কৰি আমি এইক্ষেত্ৰত প্ৰকৃত GDPহে বিবেচনা কৰো; সাধাৰণ GDP নহয়।) কিন্তু GDP বাঢ়িলে যে দেশৰ কল্যাণ বৃদ্ধি হ'ব তাৰ কোনো ধৰাবন্ধা নিয়ম নাই। তলত উল্লেখ কৰা তিনিটা কাৰণবশতঃ GDP বৃদ্ধিয়ে কল্যাণ বৃদ্ধি নকৰিবও পাৰে।

### 1. GDPৰ বিতৰণ কিমান সমতাপূৰ্ণ?

দেশ এখনৰ GDP বৃদ্ধি পাই থাকে। ইয়াৰ ফলস্বৰূপে কল্যাণৰ পৰিমাণ বৃদ্ধি নাপাবও পাৰে, যদিহে এই বৰ্ধিত GDP এক সীমিতসংখ্যক ব্যক্তি বা প্ৰতিষ্ঠানৰ হাতত

কেন্দ্ৰীভূত হয়। এনে অৱস্থাত সমাজৰ বাকী অংশৰ মানুহৰ আয়ৰ পৰিমাণ হ্ৰাস পাব পাৰে। এনেক্ষেত্ৰত সমগ্ৰ দেশৰ জনসাধাৰণৰ কল্যাণৰ মাত্ৰা বাঢ়িছে বুলিব নোৱাৰি। উদাহৰণস্বৰূপে, ধৰা হ'ল 2000 চনত এখন কাল্পনিক দেশৰ 100 জন ব্যক্তিৰ প্ৰত্যেকৰে আয় আছিল 10 টকাকৈ। সেইবাবে দেশখনৰ GDPৰ পৰিমাণ আছিল 1,000 টকা (আয় পদ্ধতিমতে)। 2001 চনত ধৰা হ'ল, সেই একেখন দেশৰ 90 জন ব্যক্তিয়ে প্ৰত্যেকেই 9 টকাকৈ উপাৰ্জন কৰিছে। আৰু বাকী 10 জন ব্যক্তিয়ে প্ৰত্যেকে 20 টকাকৈ উপাৰ্জন কৰিছে। ধৰা হ'ল, এই দুই সময়সীমাৰ ভিতৰত দ্ৰব্য সামগ্ৰীৰ দৰৰ কোনো সাল-সলনি হোৱা নাই। 2001 চনত দেশৰ GDP আছিল 90 × (9 টকা) + 10 × (20 টকা) = (810 + 200) টকা = 1,010 টকা। দেখা যায় যে 2000 চনৰ লগত তুলনা কৰিলে 2001 চনত দেশখনৰ GDPৰ পৰিমাণ 10 টকা অধিক। কিন্তু এইটো সম্ভৱ হ'ব তেতিয়াহে যেতিয়া দেশখনৰ 90 শতাংশ লোকৰ আয় 10 শতাংশ বৃদ্ধি পাব। কিন্তু দেশখনৰ মাত্ৰ 10 শতাংশ লোকৰহে আয় 100 শতাংশ বৃদ্ধি পাইছে। এইক্ষেত্ৰত দেশখনৰ GDP বৃদ্ধি সত্ত্বেও 90 শতাংশ লোক বেয়া অৱস্থাতে আছে। যদি আমি কিছু ভাল অৱস্থালৈ অহা লোকসকলৰ শতকৰা হিচাপ দেশখনৰ কল্যাণ বৃদ্ধিৰ সৈতে তুলনা কৰো, তেনেহ'লে নিশ্চয়কৈ GDPক কল্যাণৰ এক ভাল সূচক বুলি কেতিয়াও গ্ৰহণ কৰিব নোৱাৰি।

### 2. অ-মৌদ্ৰিক বিনিময় (Non-monetary exchanges)

অৰ্থনীতিখনৰ বহুবোৰ কাৰ্য প্ৰণালী মৌদ্ৰিকভাৱে পৰিমাপ কৰা নহয়। উদাহৰণস্বৰূপে মহিলাসকলে ঘৰত কৰা সেৱাসমূহৰ বাবে কোনোধৰণৰ মজুৰি প্ৰদান কৰা নহয়। বিনিময় প্ৰথাৰ যোগেদিও অনানুষ্ঠানিক খণ্ডসমূহত (Informal Sector) অমৌদ্ৰিক বিনিময় হৈ থাকে। বিনিময় প্ৰথাত দ্ৰব্যৰ সলনি দ্ৰব্য প্ৰত্যক্ষভাৱে বিনিময় কৰা হয়। মুদ্ৰাগত পৰিমাপ নোহোৱা হেতু এনেধৰণৰ কাৰ্য আৰ্থিক কাৰ্য হিচাপে পঞ্জীয়নভুক্ত কৰা নহয়। উন্নয়নশীল দেশবোৰৰ এনে বহু পিচপৰা অঞ্চল আছে য'ত এইধৰণৰ কাৰ্য বৰ্তমানত বিদ্যমান অথচ এইসমূহ সেই দেশবোৰৰ গণনাত অন্তৰ্ভুক্ত কৰা নহয়। সেইবাবে এনেধৰণৰ গণনাৰ পৰা

দেশখনৰ প্ৰকৃত উৎপাদন কাৰ্য অথবা কল্যাণৰ মাপকাঠীৰ সঠিক হিচাপ পোৱা নাযায়।

## 3. বাহ্যিকতা (Externalities)

বাহ্যিকতা হ'ল কোনো ব্যক্তি বা প্ৰতিষ্ঠানে অন্য প্ৰতিষ্ঠান বা ব্যক্তিৰ কাৰণে সৃষ্টি কৰা ভাল (বা বেয়া) প্ৰভাৱ; যাৰ বাবে ব্যক্তি বা প্ৰতিষ্ঠানখনক একো প্ৰদান কৰা নহয়। (কিম্বা শাস্তিৰ বাবেও বিবেচনা কৰা নহয়)। বাহ্যিকতাৰ ক্ষেত্ৰত কোনো বজাৰ ব্যৱস্থাৰ উপস্থিতি নাথাকে যাৰ জৰিয়তে ইয়াক ক্ৰয়-বিক্ৰয়ৰ অধীনলৈ আনিব পাৰি। উদাহৰণস্বৰূপে, ধৰা হ'ল এটা শোধনাগাৰে খাৰুৱা তেল শোধন কৰি বজাৰত পেট্ৰ'ল বিক্ৰী কৰে। শোধনাগাৰটোৰ উৎপন্ন হ'ল ই শোধন কৰা খাৰুৱা তেলৰ পৰিমাণ। আমি শোধনাগাৰটোৰ সংযোজিত মূল্য গণনা কৰিবলৈ হ'লে ই মধ্যৱৰ্তী দ্ৰব্য হিচাপে ব্যৱহাৰ কৰা দ্ৰব্যসমূহৰ মূল্য ইয়াৰ মুঠ উৎপাদনৰ মূল্যৰ পৰা বাদ দিব লাগিব। শোধনাগাৰটোৰ মূল্য সংযোজন, অৰ্থনীতিখনৰ GDPৰ এটা অংশ হিচাপে গণনা কৰা হ'ব। কিন্তু এই উৎপাদন কাৰ্য চলাই যাওঁতে শোধনাগাৰটোৱে ইয়াৰ কাষৰীয়া নদীখন প্ৰদূষিত কৰিব পাৰে। এই নদীখনৰ পানী ব্যৱহাৰ কৰোতাসকল ইয়াৰ দ্বাৰা ক্ষতিগ্ৰস্ত হ'ব আৰু ইয়াৰ উপযোগিতা হ্ৰাস পাব। প্ৰদূষণৰ ফলত নদীখনৰ মাছ বা অন্যান্য জীৱকুলৰ মৃত্যু হ'ব পাৰে। ইয়াৰ ফলত নদীৰ মাছমৰীয়াসকলে আয় হেৰুৱাব। শোধনাগাৰটোৱে সৃষ্টি কৰা এনেধৰণৰ ক্ষতিকাৰক কাৰ্য যাৰ বাবে ই কোনোধৰণৰ ব্যয় বহন কৰিবলগা হোৱা নাই; ইয়াকে বাহ্যিকতা বুলি কোৱা হয়। এইক্ষেত্ৰত GDP এ হিচাপৰ ক্ষেত্ৰত এনেধৰণৰ ঋণাত্মক বাহ্যিকতা বিবেচনালৈ নাহে। সেইবাবে যদি আমি GDPক জনসাধাৰণৰ কল্যাণৰ মাপকাঠী হিচাপে বিবেচনা কৰো, তেনেহ'লে এনেধৰণৰ ঋণাত্মক বাহ্যিকতাৰ কথা চিন্তা কৰিবলগীয়া। শোধনাগাৰটোৱে জাতীয় উৎপাদন বৃদ্ধিত সহায় কৰিলেও ইয়ে অঞ্চলটোৰ বায়ু, পানী দূষিত কৰি সেই অঞ্চলটোত বাস কৰা লোকসকলৰ স্বাস্থ্য হানি কৰিব পাৰে। সেয়েহে প্ৰকৃতাৰ্থত জাতীয় আয় বা জাতীয় উৎপাদন বৃদ্ধি পালেও মানুহৰ কল্যাণ বৃদ্ধি নাপাব পাৰে। কিন্তু কেতিয়াবা জাতীয় উৎপাদন বৃদ্ধি পালে ধনাত্মক বাহ্যিকতা (Positive externalities) বৃদ্ধিৰ সম্ভাৱনাও থাকে। তেনেক্ষেত্ৰত

কল্যাণৰ পৰিমাণো বৃদ্ধি পায়। সেয়েহে জাতীয় আয় গণনা কৰোতে এনেধৰণৰ ধনাত্মক বাহ্যিকতাৰ মূল্য ধৰিব লাগে।

প্ৰাথমিক পৰ্যায়ত সমষ্টিগত অৰ্থনীতিয়ে এটা চক্ৰীয় প্ৰবাহৰ মাধ্যমত কাম কৰি থকা দেখা যায়। পৰিয়াল গোটসমূহৰ দ্বাৰা যোগান ধৰা আহিলা ব্যৱহাৰ কৰি প্ৰতিষ্ঠানসমূহে দ্ৰব্য আৰু সেৱা উৎপাদন কৰে আৰু এইসমূহ পুনৰ পৰিয়াল গোটসমূহৰ ওচৰত বিক্ৰী কৰে। পৰিয়াল গোটসমূহে প্ৰতিষ্ঠানসমূহলৈ আগবঢ়োৱা সেৱাৰ বাবে মজুৰি লাভ কৰে আৰু এয়া পুনৰ তেওঁলোকৰ উৎপাদিত দ্ৰব্য আৰু সেৱা ক্ৰয়ত ব্যয় কৰে। সেইবাবে আমি অৰ্থনীতিখনত উৎপাদিত মুঠ দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্য তিনি প্ৰকাৰে পাব পাৰো। (a) উপাদানৰ দেনাসমূহৰ সৰ্বমুঠ মূল্য গণনাৰ জৰিয়তে (আয় পদ্ধতি); (b) প্ৰতিষ্ঠানৰ দ্বাৰা উৎপাদিত দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্য গণনাৰ দ্বাৰা (উৎপাদন পদ্ধতি); (c) প্ৰতিষ্ঠানসমূহে লাভ কৰা সৰ্বমুঠ ব্যয় গণনাৰ জৰিয়তে (ব্যয় পদ্ধতি)। উৎপাদন পদ্ধতিত দুবাৰ গণনা এৰাই চলিবলৈ আমি মধ্যৱৰ্তী দ্ৰব্যসমূহৰ গণনা বাদ দি কেৱল চূড়ান্ত দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্যহে গণনা কৰিব লাগে। এই আটাইকেইটা পদ্ধতিৰ সহায়ত অৰ্থনীতিৰ মুঠ আয় গণনাৰ বাবে সূত্ৰ নিৰ্ধাৰণ কৰা হৈছে। আমি এইটোও লক্ষ্য কৰা উচিত যে সামগ্ৰীসমূহ বিনিয়োগৰ বাবেও আনিব পাৰি আৰু ইয়াৰ দ্বাৰা উৎপাদনকাৰী প্ৰতিষ্ঠানখনৰ উৎপাদনী ক্ষমতা বৃদ্ধি পায়। মুঠ আয়ৰ বহু বিভাগ আছে। এইসমূহ নিৰ্ভৰ কৰে কোনে এইসমূহ অৰ্জন কৰিছে। আমি ইতিমধ্যে দেখুৱাইছো যে GDP, GNP আৰু NNP কেনেদৰে এটাৰ পৰা আনটো পৃথক। বজাৰ দৰ আৰু উপাদানৰ দৰৰ ভিত্তিত গণনা কৰা NNPৰ মাজৰ পাৰ্থক্য ব্যক্তিগত আয় আৰু NNPৰ মাজৰ পাৰ্থক্যও দেখুওৱা হৈছে। যিহেতু দ্ৰব্য আৰু সেৱাসমূহৰ মূল্যৰ পৰিৱৰ্তন ঘটি থাকে। সেইবাবে আমি তিনিটা দৰসূচক সংখ্যা (GDP deflator, CPI আৰু WPI) কেনেকৈ গণনা কৰা হয় সেই সম্পৰ্কে ব্যাখ্যা কৰিছো। শেষত উল্লেখ কৰিব পাৰি যে GDPক দেশখনৰ কল্যাণৰ এক সূচক হিচাপে ব্যৱহাৰ কৰাটো শুদ্ধ বুলিব নোৱাৰি।

## মূল ধাৰণাসমূহ (Key Concepts)

(1) চূড়ান্ত দ্ৰব্য (Final Goods)

(2) উপভোক্তাৰ স্থায়ী দ্ৰব্য (Consumer Durables)

(3) মধ্যৱৰ্তী দ্ৰব্য (Intermediate Goods)

(4) নিগুট বিনিয়োগ (Net Investment)

(5) মজুৰি (Wage)

(6) লাভ (Profit)

(7) আয়ৰ চক্ৰীয় প্ৰবাহ (Circular flow of income)

(8) জাতীয় আয় গণনাৰ ব্যয় পদ্ধতি (Expenditure method of calculating National Income)

(9) সমষ্টিগত অৰ্থনৈতিক আৰ্হি (Macro-economic Model)

(10) মূল্য সংযোজন (Value Added)

(11) মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product)

(12) মুঠ জাতীয় উৎপাদন (Gross National Product)

(13) নিগুট জাতীয় উৎপাদন (NNP at factor cost) অথবা জাতীয় আয় (National Income)

(14) পৰিয়াল খণ্ডই প্ৰদান কৰা নিগুট সুদৰ পৰিমাণ (Net interest payments made by households)

(15) চৰকাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ পৰা পৰিয়াল খণ্ডলৈ হস্তান্তৰ হোৱা আয় (Transfer payments to the households from the government and firms)

(16) ব্যক্তিগত কৰ দেনা (Personal Tax Payments)

(17) ব্যক্তিগত ব্যয়যোগ্য আয় (Personal Disposable Income)

(18) বেচৰকাৰী আয় (Private Income)

(19) প্ৰকৃত জাতীয় উৎপাদন (Real GDP)

(20) মুঠ ঘৰুৱা উৎপাদন সংকোচক

(21) পাইকাৰী দৰ সূচকাংশ (Wholesale Price Index)

(22) উপভোগ দ্ৰব্য (Consumption Goods)

(23) মূলধনী দ্ৰব্য (Capital Goods)

(24) মজুত (Stocks)

(25) মুঠ বিনিয়োগ (Gross Investment)

(26) ক্ষয়-ক্ষতি (Depreciation)

(27) সুদ (Interest)

(28) খাজনা (Rent)

(29) জাতীয় আয় গণনাৰ উৎপাদন পদ্ধতি (Product method of calculating national income)

(30) জাতীয় গণনাৰ আয় পদ্ধতি (Income method of calculating national income)

(31) উৎপাদন আহিলা (Input)

(32) পূৰ্বৱৰ্তী দ্ৰব্য অথবা বিক্ৰী নোহোৱা দ্ৰব্য বা কেঁচা সামগ্ৰীসমূহ (Inventory)

(33) অপৰিকল্পিত পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন (Unplanned change in inventories)

(34) নিগুট ঘৰুৱা উৎপাদন (Net Domestic Product)

(35) বজাৰ মূল্যত নিগুট ঘৰুৱা উৎপাদন (Net National Product at market price)

(36) অবিতাৰিত লাভ (Undistributed Profits)

(37) নিগম কৰ (Corporate Tax)

(38) ব্যক্তিগত আয় (Personal Income)

(39) অনাকৰ দেনা (Non-tax payments)

(40) ৰাষ্ট্ৰীয় ব্যয়যোগ্য আয় (National Disposable Income)

(41) মৌদ্ৰিক মুঠ ঘৰুৱা উৎপাদন (Nominal GDP)

(42) ভিত্তিবৰ্ষ (Base Year)

(43) ভোক্তাৰ দৰ সূচক (Consumer Price Index)

(44) বাহ্যিকতা (Externalities)

## অনুশীলনী (Excercises)

(1) উৎপাদনৰ চাৰিটা উপাদান কি কি আৰু ইহঁতে প্ৰত্যেকে লাভ কৰা আয়ক কি বুলি কোৱা হয়?

(2) অৰ্থনীতি এখনৰ চূড়ান্ত ব্যয়ৰ সৰ্বমুঠ পৰিমাণ উপাদানৰ সৰ্বমুঠ দেনাৰ সৈতে কিয় সমান হয়?

(3) মজুত আৰু প্ৰবাহৰ পাৰ্থক্য দেখুওৱা। নিগুট বিনিয়োগ অৰু মূলধনৰ মাজত কোনটো মজুত আৰু কোনটো প্ৰবাহ দেখুওৱা। নিগুট বিনিয়োগ আৰু মূলধনক পুখুৰীলৈ বৈ যোৱা পানীৰ সৈতে তুলনা কৰা।

(4) পৰিকল্পিত আৰু অপৰিকল্পিত মূলধনৰ সংযোজনৰ মাজৰ পাৰ্থক্য কি? সংযোজিত মূলধনৰ পৰিৱৰ্তন আৰু প্ৰতিষ্ঠানৰ মূল্য সংযোজনৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

(5) দেশ এখনৰ GDP তিনিটা পদ্ধতিৰে গণনা কৰোতে ব্যৱহাৰ কৰা সূত্ৰকেইটা লিখা। এই তিনিওটা পদ্ধতিৰে গণনা কৰা GDPৰ মান কিয় একে হয় সেই সম্পৰ্কে চমুকৈ লিখা।

(6) বাজেট ঘাটি আৰু বাণিজ্যিক ঘাটিৰ সংজ্ঞা দিয়া। এখন দেশৰ ব্যক্তিগত বিনিয়োগ সঞ্চয়ৰ তুলনাত কোনো এক নিৰ্দিষ্ট বছৰত 2,000 কোটি টকা অধিক আছিল। বাজেট ঘাটিৰ পৰিমাণ আছিল (–) 1,500 কোটি টকা। দেশখনৰ বাণিজ্যিক ঘাটিৰ পৰিমাণ কিমান আছিল?

(7) ধৰা হ'ল, এটা নিৰ্দিষ্ট বছৰত এখন দেশৰ বজাৰ দৰত GDPৰ পৰিমাণ আছিল 1,100 কোটি। বিদেশৰ পৰা হোৱা উপাদানৰ নিগুট আয় আছিল 100 কোটি। (প্ৰত্যক্ষ কৰ ৰাজসাহায্য)ৰ পৰিমাণ আছিল 150 কোটি আৰু ৰাষ্ট্ৰীয় আয়ৰ পৰিমাণ আছিল 850 কোটি। এতিয়া ক্ষয়-ক্ষতিৰ সৰ্বমুঠ মূল্য কিমান হ'ব গণনা কৰা।

(8) এখন নিৰ্দিষ্ট দেশৰ এবছৰৰ উপাদান ব্যয়ৰ ভিত্তিত নিগুট জাতীয় উপাদানৰ পৰিমাণ 1,900 কোটি টকা। পৰিয়াল গোটসমূহে চৰকাৰ বা প্ৰতিষ্ঠানক কিম্বা চৰকাৰ বা প্ৰতিষ্ঠানে পৰিয়াল গোটসমূহক কোনো সুদৰ দেনা বহন কৰা নাছিল। পৰিয়াল গোটসমূহৰ ব্যয়যোগ্য আয়ৰ পৰিমাণ হ'ল 1,200 কোটি টকা। তেওঁলোকে বহন কৰা ব্যক্তিগত আয় কৰৰ পৰিমাণ হ'ল 600 কোটি টকা। আনহাতে প্ৰতিষ্ঠানসমূহ আৰু চৰকাৰে ঘূৰাই পোৱা আয়ৰ পৰিমাণ হ'ল 200 কোটি টকা। চৰকাৰ আৰু প্ৰতিষ্ঠানসমূহে পৰিয়াল গোটসমূহলৈ আগবঢ়োৱা হস্তান্তৰযোগ্য দেনাৰ পৰিমাণ কিমান হিচাপ কৰি উলিওৱা।

(9) তলৰ তথ্যসমূহ ব্যৱহাৰ কৰি ব্যক্তিগত আয় আৰু ব্যক্তিগত বায়যোগ্য আয়ৰ পৰিমাণ গণনা কৰা ঃ

**(কোটি টকাৰ হিচাপত)**

| | |
|---|---|
| (a) উপাদানৰ দৰৰ ভিত্তিত নিগুট ঘৰুৱা উৎপাদন | 8,000 |
| (b) বিদেশৰ পৰা হোৱা নিগুট উপাদানৰ আয় | 200 |
| (c) অবিতাৰিত লাভ | 1,000 |
| (d) নিগম কৰ | 500 |
| (e) পৰিয়াল গোটসমূহে গ্ৰহণ কৰা সুদ | 1,500 |

(f) পৰিয়াল গোটসমূহে প্ৰদান কৰা সুদ 1,200

(g) হস্তান্তৰযোগ্য আয় 300

(h) ব্যক্তিগত কৰ 500

(10) এদিনত ৰাজু নামৰ নাপিতজনে চুলি কাটি 500 টকা সংগ্ৰহ কৰে। দিনটোত সি তাৰ সা-সৰঞ্জামৰ ক্ষয়-ক্ষতিৰ বাবদ 50 টকা ভৰিব লাগে। বাকী থকা 450 টকাৰ ভিতৰৰে ৰাজুৱে 30 টকা বিক্ৰীকৰ দিয়ে, 200 টকা ঘৰলৈ নিয়ে আৰু 220 টকা নতুন সা-সৰঞ্জাম ক্ৰয় বা ভাল কৰাৰ বাবদ ৰাখে। সি তাৰ আয়ৰ পৰা পুনৰ 20 টকা আয়কৰ পৰিশোধ কৰে। এই তথ্যৰ ওপৰত নিৰ্ভৰ কৰি নিম্নোলিখিত আয়ৰ পৰিমাপসমূহ লৈ ৰাজুৰ অৱদান কিমান হিচাপ কৰি দেখুওৱা। ঃ

(a) GDP মুঠ জাতীয় উৎপাদন

(b) GDP নিগুট জাতীয় উৎপাদন

(c) NNP (at factor cost) নিগুট জাতীয় উৎপাদন (উপাদান ব্যয়ৰ ভিত্তিত)

(d) ব্যক্তিগত আয় বজাৰ ভিত্তিত

(e) ব্যক্তিগত বায়যোগ্য আয়।

(11) সাধাৰণ GNPৰ মূল্য কোনো এখন অৰ্থনীতিৰ এটা নিৰ্দিষ্ট বছৰত 2,500 কোটি বুলি ঠাৰৰ কৰা হৈছে। সেই একেখন দেশৰে একেটা ভিত্তিবৰ্ষৰ দৰত গণনা কৰা GNPৰ পৰিমাণ হ'ল 3,000 কোটি। শতকৰা হিচাপত সেই বছৰৰ GNPৰ সূচক গণনা কৰা। ভিত্তিবৰ্ষ আৰু বিবেচনালৈ অনা বছৰৰ মাজত দৰৰ বৃদ্ধি হৈছেনে?

(12) এখন দেশৰ কল্যাণৰ সূচক হিচাপে GDPক ব্যৱহাৰ কৰাত কেনেধৰণৰ সীমাবদ্ধতা আছে লিখা।

## ওপৰঞ্চি অধ্যয়নৰ পৰামৰ্শ (Suggested Readings)

(1) Bhaduri, A. – 1990. Macro Economics : The Dynamics of Commodity Production, Pages 1-27, Macmillan India Limited, New Delhi)

(2) Branson, W.H. 1992 : Macro-economic Theory and Policy (3rd edition), Page 15-34, Harper Collins Publishers India Pvt. Ltd., New Delhi

(3) Dornbusch, R and S Fisher, 1988 : Macro-economics (4th edition), Page 29-62, Mcgraw Hill, Paris.

(4) Mahkiw, N.G. 200, Macro-economics (4th edition), Page 15-76, Macmillan, Worth Publishers, New York

## Appendix-2.1

তালিকা 2.2 চলিত দৰত ভাৰতবৰ্ষৰ বিভিন্ন সমষ্টিবাদী অৰ্থনৈতিক মুঠ পৰিমাপসমূহ

(Old series unit : Rs. Crores) : Source : RBI, Handbook of Indian Economy)

| | মুঠ জাতীয় উৎপাদন (বজাৰ দৰত) GDP at (Market Price) | বিদেশৰ পৰা আহৰিত নিগুট উপাদানৰ আয় Net factor income from Abroad | GNP (বজাৰ দৰত) | স্থিৰ মূলধনৰ উপভোগ (ক্ষয়-ক্ষতি) Consumption of fixed capital (depreciation) | NNP (বজাৰ দৰত) |
|---|---|---|---|---|---|
| 1990-91 | 5,68,674 | -7545 | 5,61,129 | 53,264 | 5,07,865 |
| 1991-92 | 6,53,117 | -10,077 | 6,43,040 | 64,402 | 5,78,638 |
| 1992-93 | 7,48,367 | -11645 | 7,36,722 | 74,512 | 6,62,210 |
| 1993-94 | 8,59,220 | -12080 | 8,47,140 | 83,353 | 7,63,787 |
| 1994-95 | 10,12,770 | -13083 | 9,99,687 | 97,994 | 9,01,693 |
| 1995-96 | 11,88,012 | -13484 | 11,74,528 | 1,17,926 | 10,56,602 |
| 1996-97 | 13,68,209 | -13082 | 13,55,127 | 1,36,503 | 12,18,624 |
| 1997-98 | 15,22,547 | -13205 | 15,09,342 | 1,51,997 | 13,57,345 |
| 1998-99 | 17,40,985 | -14968 | 17,26,017 | 1,68,066 | 15,57,951 |
| 1999-2000 | 19,36,831 | -15431 | 19,21,400 | 1,82,359 | 17,39,041 |
| 2000-2001 | 20,89,500 | -18109 | 20,71,391 | 1,97,895 | 18,73,696 |
| 2001-2002 | 22,71,984 | -15566 | 22,56,418 | 2,17,679 | 20,38,739 |
| 2002-2003 | 24,63,324 | -13166 | 24,50,158 | 2,32,952 | 22,17,206 |
| 2003-2004 | 27,60,025 | -14078 | 27,45,947 | 2,53,637 | 24,92,310 |
| 2004-2005 | 31,05,512 | -17707 | 30,87,805 | 2,77,131 | 28,17,968 |

তালিকা 2.3 ভাৰতৰ বিভিন্ন সমষ্টিবাদী অৰ্থনৈতিক মুঠ পৰিমাণসমূহৰ হিচাপ (চলিত দৰত)

(Old series, unit : Rs. Crores) : Source : RBI, Handbook of Indian Economy)

| | পৰোক্ষ কৰ-ৰাজসাহায্য (Indirect taxes-subsidy | NNP (উপাদানৰ দৰত) (ৰাষ্ট্ৰীয় আয়) | ব্যক্তিগত ব্যয়যোগ্য আয় (Personal disposable Income) |
|---|---|---|---|
| 1990-91 | 57,720 | 4,50,145 | 4,61,192 |
| 1991-92 | 64,031 | 5,14,607 | 5,27,018 |
| 1992-93 | 75,146 | 5,87,064 | 6,11,390 |
| 1993-94 | 77,875 | 6,85,912 | 7,07,692 |
| 1994-95 | 95,712 | 8,05,981 | 8,34,764 |
| 1995-96 | 1,14,741 | 9,41,861 | 9,49,191 |
| 1996-97 | 1,24,662 | 10,93,962 | 11,27,542 |
| 1997-98 | 1,32,399 | 12,24,946 | 12,53,142 |
| 1998-99 | 1,42,858 | 14,15,093 | 14,61,827 |
| 1999-2000 | 1,74,993 | 15,64,048 | 16,12,834 |
| 2000-2001 | 1,86,501 | 16,86,995 | 17,76,381 |
| 2001-2002 | 1,90,510 | 18,48,229 | 19,67,770 |
| 2002-2003 | 2,08,436 | 20,08,770 | 21,06,551 |
| 2003-2004 | 2,40,240 | 22,52,070 | 23,58,503 |
| 2004-2005 | 2,75,047 | 25,35,627 | NA |

তালিকা 2.4 চলিত দৰত ভাৰতবৰ্ষৰ বিভিন্ন সমষ্টিবাদী অৰ্থনৈতিক মুঠ পৰিমাপসমূহ

(Old series unit : Rs. Crores) : Source : RBI, Handbook of Indian Economy)

| | চূড়ান্ত উপভোগ ব্যয় (ব্যক্তিগত) (Private final Consumption Experative) | মুঠ ঘৰুৱা মূলধন গঠন (উভয় ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডই কৰা বিনিয়োগ।) (Gross Domestic Capital Formation Investments mode by both private and public sector) | চূড়ান্ত চৰকাৰী উপভোগ ব্যয় (Government Final Consumption expenditure) |
|---|---|---|---|
| 1990-91 | 3,81,57 | 1,49,536 | 66,030 |
| 1991-92 | 4,40,594 | 1,47,285 | 74,285 |
| 1992-93 | 4,96,310 | 1,76,722 | 83,957 |
| 1993-94 | 5,69,225 | 1,98,412 | 97,725 |
| 1994-95 | 6,59,239 | 1,63,356 | 1,08,639 |
| 1995-96 | 7,60,138 | 3,19,527 | 1,28,816 |
| 1996-97 | 8,96,470 | 3,34,999 | 1,45,725 |
| 1997-98 | 9,76,131 | 3,74,480 | 1,72,189 |
| 1998-99 | 11,34,134 | 3,93,021 | 2,14,033 |
| 1999-2000 | 12,67,658 | 4,90,669 | 2,51,108 |
| 2000-2001 | 13,53,709 | 4,98,179 | 2,64,237 |
| 2001-2002 | 14,85,675 | 5,13,543 | 2,83,351 |
| 2002-2003 | 15,83,879 | 6,10,228 | 2,91,547 |
| 2003-2004 | 17,61,788 | 7,26,868 | 3,12,109 |
| 2004-2005 | NA | NA | NA |